সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩১ বছৰ, ৩৭সংখ্যা,২৮ ভাদ , ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 37 Date of Publication- 14 September 2025 Rs. 10.00/-

## দেশৰ একতা আৰু অখণ্ডতাৰ মহান নায়ক আছিল ভূপেনদাঃ প্ৰধানমন্ত্ৰী মোদী



ৰঙিলী বাৰ্ত্তাসেৱা- খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ বছৰজোৰা উদযাপনৰ অনুষ্ঠানত অংশ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্য- দেশৰ একতা আৰু অখণ্ডতাৰ মহান নায়ক আছিল ভূপেনদা। সুধাকণ্ঠৰ সংগীতত প্ৰতিফলিত হয় এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ সংকল্প। জীৱনৰ প্ৰতিটো ক্ষণতে অসমী আইৰ পুত্ৰ হিচাপে নিজকে সমৰ্পিত কৰিছে তেওঁ। উল্লেখ্য যে মিজোৰাম আৰু মণিপুৰ ভ্ৰমণ সামৰি বিয়লি ভাগত গুৱাহাটীত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে খানাপাৰাৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানত অংশগ্ৰহণ কৰি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কৰ্মময় জীৱন আৰু জাতিলৈ আগবঢ়োৱা অৱদানৰ কথা উল্লেখ কৰি কয়- ভূপেনদাৰ শতবাৰ্ষিকী অনুষ্ঠানত অংশ লোৱাটো মোৰ বাবে সৌভাগ্যৰ কথা। আমি সকলোৱে তেওঁক মৰমতে সুধাকণ্ঠ বুলি উল্লেখ কৰোঁ। সংগীত যেতিয়া সাধনালৈ ৰূপান্তৰিত হয়, সেই সাধনাই আমাক চুই যায়। সেইবাবেই ভূপেনদাৰ সংগীত সদায় বিশেষ আছিল। ভূপেনদা আমাৰ মাজত নাথাকিলেও তেওঁৰ গীত-স্বৰে আমাক শক্তি দিব। তেওঁ কয়- আজিৰ দিনটো আনন্দৰ দিনেই নহয়, এই মুহূৰ্ত আমাৰ বাবে অতিশয় গুৰুত্বপূৰ্ণ। যি দৃশ্য মই দেখা পাইছোঁ, যি উৎসাহ, যি জনসমুদ্ৰ এই সকলোবোৰে প্ৰমাণ কৰিছে ভূপেনদা অসমৰ বাবে কি আছিল। যদি মই ভূপেনদাক এটা শব্দ বুলি কওঁ, তেনেহ'লে মোৰ মনত বাৰে বাৰে এটাই ধাৰণা আহে- 'সময় হ্যে ধীৰে চলো'। ভূপেনদাই তেওঁৰ সুৰৰ যোগেদি ভাৰতক সংযোগ কৰাই নহয়, ভাৰতীয় প্ৰজন্মক আলোড়িত কৰা অমৰ ৰচনাৰ সৃষ্টি কৰিছিল। ড° ভূপেন হাজৰিকাই নিজৰ সমগ্ৰ জীৱন সংগীতৰ সেৱাত উছৰ্গা কৰাৰ লগতে সংগীতক তেওঁ এক আধ্যাত্মিক অনুশীলনতাৰ অংশ কৰি লৈছিল। তেওঁৰ এই আধ্যাত্মিক অনুশীলনতাই সকলো সময়তে আত্মাক স্পৰ্শ কৰে। দৰাচলতে সংগীত যেতিয়া সংকল্প হৈ পৰে, তেতিয়া ই সমাজৰ পথ প্ৰদৰ্শনৰ মাধ্যম হৈ পৰে। প্ৰধানমন্ত্ৰীয়ে কয়- ভূপেনদাৰ সংগীতত ভাৰত মাতৃৰ প্ৰতি গভীৰ প্ৰেম- এক ভাৰত, শ্ৰেষ্ঠ ভাৰতৰ ধাৰণাটোৰ প্ৰতি তেওঁৰ দায়বদ্ধতা স্পষ্ট হৈ পৰে। ভূপেনদা উত্তৰ-পূবত জন্মগ্ৰহণ কৰিছিল আৰু ব্ৰহ্মপুত্ৰৰ পৱিত্ৰ ঢৌৱে তেওঁক সংগীত শিকাইছিল। কাশী বিশ্ববিদ্যালয়ে তেওঁৰ জীৱনক এক অবিৰত প্ৰবাহ দিলে। দেশৰ বিভিন্ন প্ৰান্ত ভ্ৰমণ কৰি আমেৰিকালৈ যোৱা ভূপেনদাই এজন প্ৰকৃত পুত্ৰ হিচাপে অসমৰ মাটিৰ লগত কিন্তু গভীৰভাৱে ( দুই পৃষ্ঠাত চাওক)

## ভিডিঅ' কনফাৰেঞ্চযোগে 'সেৱা সপ্তাহ'ৰ প্ৰস্তুতি পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জিলা আয়ুক্তসকলৰ সৈতে এখন ভিডিঅ' কনফাৰেঞ্চত অংশগ্ৰহণ কৰি আগন্তুক 'সেৱা সপ্তাহ' পালন সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰে। উল্লেখ্য যে অহা ১৭ ছেপ্টেম্বৰৰ পৰা ২৩ ছেপ্টেম্বৰলৈ 'সেৱা সপ্তাহ' শীৰ্ষক এই সপ্তাহজোৰা কাৰ্যসূচীৰ অধীনত সমগ্ৰ ৰাজ্যতে এলানি অৰ্থপূৰ্ণ আৰু জনকেন্দ্ৰিক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। অহা ১৭ ছেপ্টেম্বৰত 'সেৱা-হি-সমৰ্পণ' শীৰ্ষক এক বৃহৎ ৰক্তদান অভিযানৰ ( দহ পৃষ্ঠাত চাওক)

## সুধাকণ্ঠৰ স্মৃতিত ১০০ টকীয়া ৰূপৰ স্মাৰক মুদ্ৰা মুকলি কৰে প্ৰধানমন্ত্ৰীয়ে




ৰঙিলী বাৰ্ত্তাসেৱা- সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সৈতে সংগতি ৰাখি খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত সুধাকণ্ঠৰ চিত্ৰসম্বলিত ১০০ টকীয়া ৰূপৰ বিশেষ স্মাৰক মুদ্ৰা উন্মোচন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। উল্লেখ্য যে ৰাজ্য চৰকাৰৰ প্ৰস্তাৱমৰ্মে কেন্দ্ৰীয় চৰকাৰে বিশ্ববৰেণ্য শিল্পীগৰাকীৰ স্মৃতিত এই বিশেষ মুদ্ৰা প্ৰস্তুত কৰাৰ সিদ্ধান্ত লৈছিল। সেইমৰ্মে ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰস্তুত কৰা বিশেষ এই মুদ্ৰাটো আনুষ্ঠানিকভাৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুকলি কৰে। উল্লেখ্য যে ২০২৪ চনত কেন্দ্ৰীয় চৰকাৰে ( দুই পৃষ্ঠাত চাওক)

## মণিপুৰৰ চুৰাচান্দপুৰত ৭, ৩০০ কোটি টকাৰ উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন প্ৰধানমন্ত্ৰীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- গোষ্ঠীগত সংঘৰ্ষত পীড়িত মণিপুৰৰ চুৰাচান্দপুৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। সংঘৰ্ষত অশান্ত হৈ পৰা মণিপুৰত বিগত তিনি বছৰৰ ভিতৰত প্ৰথমবাৰৰ বাবে ভ্ৰমণ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে ৭, ৩০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। মণিপুৰৰ ( দহ পৃষ্ঠাত চাওক)




## এছিয়া কাপত আজি মুখামুখি হ'ব ভাৰত আৰু পাকিস্তান




ৰঙিলী বাৰ্ত্তাসেৱা- নানা বিতৰ্কৰ মাজত আজি এছিয়া কাপত মুখামুখি হ'ব ভাৰত আৰু পাকিস্তান। ডুবাইত আজি হ'বলগীয়া হাইভল্টেজ মেচখনক লৈ অনুৰাগীৰ মাজত বিশেষ উন্মাদনা নাই । জানিব পৰা অনুসৰি বিক্ৰী হোৱা নাই আজি মেচখনৰ সৰহসংখ্যক টিকট। সন্ধিয়া ৮ বজাৰ পৰা ডুবাই ইণ্টাৰনেচনেল ষ্টেডিয়ামত অনুষ্ঠিত হ'ব খেলখন। পেহেলগাম আক্ৰমণৰ পিছত এছিয়া কাপৰ ভাৰত আৰু পাকিস্তানৰ মাজৰ মেচখনক লৈ নানা জল্পনা-কল্পনাৰ সৃষ্টি হৈছিল। পাকিস্তানৰ বিপক্ষে মেচখনত ভাগ লোৱাৰ বাবে ভাৰত চৰকাৰে অনুমতি প্ৰদান ( দহ পৃষ্ঠাত চাওক)

# নুমলীগড়ত আজি বিশ্বৰ প্ৰথম বাঁহভিত্তিক ইথানল প্লান্ট উদ্বোধন কৰিব প্ৰধানমন্ত্ৰী মোদীয়ে




ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নুমলীগড়ত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক চজি বায়' ইথানল প্লান্ট উদ্বোধন কৰিব আৰু পলিপ্ৰোপিলিন প্লাণ্টৰ আধাৰশিলা স্থাপন কৰিব । এই দুটা বৃহৎ প্লাণ্টৰ শুভ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰাৰ পূৰ্বে শনিবাৰে সন্ধিয়া এনআৰএল টাউনশ্বিপৰ কমিউনিটী চেণ্টাৰত পেট্ৰ'লিয়াম মন্ত্ৰী হৰদীপ সিং পুৰীৰ অধ্যক্ষতাত সংবাদ মেলৰ আয়োজন কৰে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ সচিব পংকজ জৈন, এনআৰএলৰ অধ্যক্ষ আৰু অইলৰ অধ্যক্ষ আৰু পৰিচালন সঞ্চালক ড° ৰঞ্জিত ৰথ, এনআৰএলৰ পৰিচালন সঞ্চালক ভাস্কৰজ্যোতি ফুকন, এবিইপিএলৰ অধ্যক্ষ আৰু সঞ্চালক গিৰীশ কুমাৰ বৰাৰ উপস্থিতিৰে শোভাবৰ্ধন কৰা এই সংবাদ মেলখন ১৪ ছেপ্টেম্বৰত গোলাঘাটস্থিত নুমলীগড় ৰিফাইনেৰী লিমিটেডত প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ পূৰ্বে প্ৰস্তুতিমূলক অনুষ্ঠান হিচাপে আয়োজন কৰা হয়। পুৰীয়ে এই প্ৰকল্পকেইটাৰ পৰিৱৰ্তনমূলক পৰিসৰসমূহ আলোকপাত কৰে, যাৰ বাবে ১২, ২০০ কোটি টকাৰো অধিক বিনিয়োগ কৰা হৈছে আৰু লগতে তেওঁ ভাৰতৰ শক্তিখণ্ডত পৰিৱৰ্তন সঞ্চাৰ কৰা আৰু পেট্ৰ'লিয়াম খণ্ডৰ উৎকৰ্ষ সাধন কৰা এই ভূমিকাক গুৰুত্ব আৰোপ কৰে। এই বায়' ইথানল প্লান্টটো PM-JI-VAN যোজনাৰ অধীনত অসম বায়' ইথানল প্ৰাইভেট লিমিটেডে প্ৰায় ৫, ০০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিছে আৰু এয়া হৈছে বিশ্বৰ প্ৰথম এনে এক বিশেষ পদক্ষেপ, যিয়ে বছৰি ৫ লাখ ( তিনিপৃষ্ঠাত চাওক)

# দেশৰ একতা আৰু অখণ্ডতাৰ

সংযুক্ত হৈ থাকিল। তেওঁ সাধাৰণ জীৱনৰ যন্ত্ৰণাক সংগীতলৈ ৰূপান্তৰিত কৰিছিল আৰু তেওঁৰ সেই কণ্ঠই এতিয়াও জাতিটোক আলোড়িত কৰি ৰাখিছে। প্ৰধানমন্ত্ৰী মোদীয়ে সুধাকণ্ঠৰ 'মানুহে মানুহৰ বাবে' গীতটো আওৰাই কয়- এই গীতৰ অৰ্থ হ'ল যদি ইজনে সিজনৰ আনন্দ আৰু দুখ-যন্ত্ৰণা, কষ্টৰ কথা নাভাবে, তেন্তে সমাজ কেনেদৰে চলিব? ভূপেনদাৰ এই চিন্তাধাৰা কিমান গভীৰভাৱে প্ৰেৰণাদায়ক সেই বিষয়ে সকলোৰে চিন্তা কৰা উচিত। ভূপেনদাৰ সংগীতৰ এই ধাৰণাটোৱে আজি ভাৰতক দৰিদ্ৰ, প্ৰান্তীয়, দলিত আৰু জনজাতীয় সম্প্ৰদায়ৰ জীৱন উন্নত কৰাৰ প্ৰচেষ্টাত পথ প্ৰদৰ্শক হৈ আছে। সুধাকণ্ঠক ভাৰতৰ ঐক্য আৰু অখণ্ডতাৰ মহান নায়ক আখ্যা দি প্ৰধানমন্ত্ৰীয়ে পুনৰ কয়- দশক দশক পূৰ্বে যেতিয়া উত্তৰ-পূব অৱহেলাৰ সন্মুখীন হৈছিল, হিংসা আৰু বিচ্ছিন্নতাবাদৰ মাজত আবদ্ধ হৈছিল, তেতিয়া ভূপেনদাই ভাৰত ঐক্যৰ গীত গাইছিল। ভূপেনদাই সমৃদ্ধিশালী উত্তৰ-পূবৰ সপোন দেখিছিল আৰু অঞ্চলটোৰ প্ৰাকৃতিক সৌন্দৰ্যৰ গীত গাইছিল। মোদীয়ে পুনৰ সুধাকণ্ঠৰ 'নানা জাতি উপজাতি' কলি আওৰাই কয়- এই গীতটোৱে অসমৰ বৈচিত্ৰ্য, শক্তি আৰু সম্ভাৱনাক লৈ গৌৰৱ অনুভৱ কৰোৱায়। অৰুণাচল প্ৰদেশৰ প্ৰতি ভূপেনদাৰ আছিল বিশেষ মৰম। দৰাচলতে সমগ্ৰ উত্তৰ-পূবৰ বাবে সপোন দেখিছিল ভূপেনদাই। অসম-অৰুণাচলক সংযুক্ত কৰা সেতুক সেয়েহে ভূপেনদাৰ নামেৰে নামকৰণ কৰা হ'ল। মোদীয়ে কয়- উত্তৰ-পূবত ভূপেনদাৰ সপোন বাস্তৱায়িত কৰিবলৈ আমি দিনে-নিশাই কাম কৰি আছোঁ। এই অনুষ্ঠানটোৱে উত্তৰ-পূবৰ উন্নয়নৰ প্ৰতি চলা অভিযানৰ এক আভাস প্ৰতিফলিত কৰিছে। তেওঁ কয়- শেহতীয়াকৈ ৰাষ্ট্ৰীয় পৰ্যায়ত বীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্মজয়ন্তী উদযাপন কৰা হৈছে। স্বাধীনতা সংগ্ৰামৰ সময়ত অসম আৰু উত্তৰ-পূবৰ বহু বীৰ সংগ্ৰামীয়ে অসাধাৰণ ত্যাগ কৰিছিল। আজাদী কা অমৃত মহোৎসৱৰ সময়ত চৰকাৰে উত্তৰ-পূবৰ এই স্বাধীনতা সংগ্ৰামীসকলৰ উত্তৰাধিকাৰ আৰু ইতিহাস পুনৰুজ্জীৱিত কৰিছে। সমগ্ৰ দেশে অসমৰ ইতিহাস আৰু ইয়াৰ অৱদানৰ সৈতে পৰিচিত হৈ পৰিছে। দিল্লীত অনুষ্ঠিত কৰা অষ্টলক্ষী মহোৎসৱৰ জৰিয়তেও অসমৰ শক্তি আৰু দক্ষতা প্ৰদৰ্শিত কৰা হৈছিল। সুধাকণ্ঠক ভাৰতৰত্ন প্ৰদানৰ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে কয়-ভূপেনদাক ভাৰতৰত্ন প্ৰদান কৰি চৰকাৰে উত্তৰ-পূবৰ আকাংক্ষা আৰু গৌৰৱক সন্মান জনাই অঞ্চলটোত ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰ হিচাপে গঢ়ি তোলা হৈছে। উত্তৰ-পূব এতিয়া দ্ৰুতগতিত উন্নয়নৰ দিশে আগবাঢ়িছে। এই কৃতিত্বৰ আঁৰৰ ব্যক্তি হ'ল ভূপেনদা। উত্তৰ-পূবে সদায়ে দেশৰ বাবে উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে। অঞ্চলটোৰ চহকী ইতিহাস, ইয়াৰ উৎসৱ-উদযাপন, কলা-সংস্কৃতি, প্ৰাকৃতিক সৌন্দৰ্য আৰু ঐশ্বৰিক আভাক সদায়ে দেশে অৱদান ৰূপে গ্ৰহণ কৰি আহিছে। এই অৱদানক বাদ দি আমি মহান ভাৰতৰ কল্পনা কৰিব নোৱাৰোঁ। দেশ বা ৰাজ্যৰ পৰিস্থিতি যিয়েই নহওক কিয়, ভূপেনদাই সদায়ে জাতিৰ গৌৰৱৰ বাবে কণ্ঠদান কৰি আহিছে। তেওঁৰ এই গীতত স্বদেশ প্ৰেমৰ মনোভাব প্ৰতিফলিত হৈছে। প্ৰধানমন্ত্ৰীয়ে ১৯৬২ চনৰ চীন-ভাৰত যুদ্ধৰ প্ৰসংগ উত্থাপন কৰি কয়- সেই সময়ত অসম প্ৰত্যক্ষভাৱে এই যুদ্ধৰ সাক্ষী আছিল আৰু সেই সময়ত ভূপেনদাই সংগীতৰ জৰিয়তে জাতিৰ সংকল্প তথা উদ্দেশ্যক স্থিৰ কৰি তুলিছিল। তেওঁ সেই সময়ত গীত গাইছিল- 'শত জোৱানৰ মৃত্যু হ'ল', এই গীতে দেশৰ জনসাধাৰণৰ মাজত নতুন শক্তিৰ সঞ্চাৰ কৰিছিল। প্ৰধানমন্ত্ৰীয়ে অসমৰ সংস্কৃতিৰ প্ৰতিটো মাত্ৰা উল্লেখযোগ্য আৰু অসাধাৰণ বুলি আলোকপাত কৰি কয়-অসম সংস্কৃতি, মৰ্যাদা, গৌৰৱ অপৰিসীম সম্ভাৱনাৰ উৎস। অসমৰ পৰম্পৰাগত সাজ-পোছাক, খাদ্য, পৰ্যটন আৰু উৎপাদিত সামগ্ৰীয়ে চহকী ঐতিহ্য আৰু সম্ভাৱনাৰ ক্ষেত্ৰ হিচাপে পৰিচয় দি আহিছে। কেৱল ভাৰততেই নহয়, সমগ্ৰ বিশ্বতে এই উপাদানসমূহক স্বীকৃতি দিয়াৰ প্ৰয়োজন আছে। প্ৰধানমন্ত্ৰী মোদীয়ে গৌৰৱেৰে উল্লেখ কৰে যে তেওঁ ব্যক্তিগতভাৱে অসমৰ গামোচাৰ ব্ৰেণ্ডিঙৰ প্ৰচাৰ কৰে। অসমৰ প্ৰতিটো সামগ্ৰী বিশ্বৰ চুকে-কোণে যাব লাগিব বুলি মন্তব্য কৰে। উল্লেখ্য যে এই অনুষ্ঠানতেই প্ৰধানমন্ত্ৰীয়ে ড° ভূপেন হাজৰিকাৰ সোঁৱৰণত ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰস্তুত কৰা এটি স্মৃতি মুদ্ৰা উন্মোচন কৰাৰ লগতে ভূপেনদাৰ জীৱন আৰু কৰ্মৰ আধাৰত প্ৰণীত তথা দেশৰ চৰটা অন্য ভাষালৈ অপঁদিত এখন গ্ৰন্থও আনুষ্ঠানিকভাৱে মুকলি কৰে। এই অনুষ্ঠানতে ভিন্ন বয়সৰ ১, ২০০ শিল্পীয়ে বিশ্ববি।ত শিল্পীগৰাকীৰ ১৪টা গীত আৰু এটি গীতি কবিতা সমৱেত সংগীতৰ ৰূপত পৰিৱেশন কৰে। অনুষ্ঠানত সুধাকণ্ঠৰ জীৱন আধাৰিত এক চমু তথ্যচিত্ৰও প্ৰদৰ্শন কৰা হয়। সাংস্কৃতিক মন্ত্ৰী বিমল বড়াই আদৰণী ভাষণ প্ৰদান কৰা জন্ম শতবাৰ্ষিকীৰ এই অনুষ্ঠানত সুধাকণ্ঠৰ ভাতৃ সমৰ হাজৰিকায়ো ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, সুধাকণ্ঠৰ পুত্ৰ তেজ হাজৰিকা, ভগ্নী কবিতা বৰুৱাৰ লগতে সাংসদ, মন্ত্ৰী, বিধায়কসকল আৰু বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

সম্পাদকীয় শিতান... দেৱাশীষ গোস্বামী, নগাঁও

# কষ্ট-মানসিক, শাৰীৰিক



মানুহৰ জীৱনত কষ্ট দুই প্ৰকাৰৰ। শাৰীৰিক আৰু মানসিক।

মাতৃগৰ্ভ ত্যাগ কৰি এই পৃথিৱীত ভৰি থৈয়েই আমি আমাৰ জীৱনৰ প্ৰথমটো শাৰীৰিক কষ্ট অনুভৱ কৰি কান্দো। মাৰ গৰ্ভত থিতাপি লৈ কটোৱা ন মাহৰ ফছল পৃথিৱীত ভৰি দিয়েই তেনেই ক্ষণতেকীয়া সেই কান্দোন, সেই ক্ষণতেকীয়া কান্দোনত লুকাই থাকে ভাষাৰে বুজাব নোৱাৰা সুখানুভূতি যাৰ বাবে আমিবোৰ ন মাহ কাল অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি থাকো। চন্দ্ৰ সূৰ্য্যৰ লগত একাত্ম হোৱাৰ লগে লগে সেই কান্দোন হাঁহিলৈ পৰ্য্যবেসিত হয়।

দিন বাগৰাৰ লগে লগে জীৱন যুদ্ধৰ বিভিন্ন শৈলীৰ লগত আমি অভ্যস্ত হৈ পৰো। মানুহ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ বুজা হোৱাৰে পৰা আৰম্ভ কৰা যাত্ৰাৰ মাৰ্গত পথ প্ৰদৰ্শক হিচাপে বিভিন্ন সময়ত বিভিন্ন জনক গুৰু হিচাপে লগ পাওঁ। মা-দেউতাৰ পিছতে বিভিন্ন সময়ৰ এই পথ প্ৰদৰ্শক সকলেই আমাৰ জীৱনৰ বাট কটীয়া। এখন দেশৰ সফল নাগৰিক হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে সময় ভেদে বহুতো ত্যাগ, কষ্ট স্বীকাৰ কৰিবলগীয়া হয়। সেই কষ্টৰ পৰিসৰ যথেষ্ট বহল। কোনো এজন সফল ব্যক্তিয়েই জীৱনত কষ্ট স্বীকাৰ অবিহনে সফলতাৰ মুখ দেখা নাই। লাগিলে সেইয়া শাৰীৰিকেই হওঁক বা মানসিক কষ্টই হওঁক। আজিৰ আমাৰ মূল বিচাৰ্য্য বিষয় মানসিক কষ্ট।

শাৰীৰিক কষ্ট আমাৰ নিজৰ আৰ্জিত আনহাতে মানসিক কষ্ট মূলতঃ আনৰ প্ৰদত্ত। জীৱনটো ৰঙীণ কৰি তোলাৰ অঘোষিত প্ৰতিযোগিতাত নিজৰ অস্তিত্ব তথা শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ আমিবোৰে কৰা বিভিন্ন নিকৃষ্ট কৰ্ম কাণ্ডই কিমান জনক নানা সময়ত মানসিক যান্ত্ৰণা দিছে, ভাবি চাইছোনে আমি এবাৰো? কৰিছোনে অনুভৱ আমি এবাৰো? মানসিক কষ্টই বিভিন্ন জনক বিভিন্ন সময়ত নকৰিবলগীয়া কৰ্ম কৰিবলৈ বাধ্য কৰি তোলে। মানসিক ৰোগীৰ সৃষ্টি কৰি একো একোখন সুখৰ সংসাৰ থানবান কৰি পেলায়। আমাৰ চাৰিওফালৰ সমাজ খনত নানা ধৰনৰ চৰিত্ৰৰ সমাহাৰ। নিকৃষ্ট চৰিত্ৰ আজিৰ দিনতে তেনেই সুলভ। এই নিকৃষ্ট চৰিত্ৰৰ লোক সকলৰ কৰ্ম কাণ্ডই সৎ, চৰিত্ৰবান সকলৰ মাৰ্গত বৰ বেয়াকৈ ৰেখাপাত কৰে। বৰ বেয়াকৈ মনোকষ্ট দিয়ে। আনক হেয় প্ৰতিপন্ন কৰিবলৈ কৰা যি কোনো কাৰ্য্যই আনৰ লগতে আমাক নিজকো সমানেই ক্ষতি কৰে।

এনেধৰণৰ মনোকষ্টৰ পৰা হাত সাৰিবলৈ আমি যথেষ্ট মানসিক ভাবে সবল হ'ব লাগিব। নিজকে এক সঁচা অৰ্থত সুন্দৰ জীৱন জীয়াবলৈ দৈনন্দিন কৰণীয় খিনিৰ লগতে ধনাত্মক কৰ্ম -কাণ্ড তথা চিন্তাধাৰাত ব্যস্ত ৰাখিব লাগিব সেই বিশেষ নিকৃষ্ট চৰিত্ৰৰ অধিকাৰী সকলৰ পৰা এক নিৰাপদ দূৰত্বত অৱস্থান কৰি।

সহজ অৰ্থত ক'বলৈ হ'লে-

নিকৃষ্ট চৰিত্ৰ সমূহ 'Delete'কৰি, সৎ তথা ধনাত্মক চিন্তাধাৰাৰে নিজৰ লগতে পৰিয়ালটোক দেশৰ প্ৰকৃত সম্পদ হিচাপে গঢ়ি তোলাৰ স্বাৰ্থত নিজৰ লগতে পৰোপকাৰী নানা কৰ্মত ব্যস্ত ৰাখি বিভিন্ন ধৰণৰ মনোকষ্টৰ পৰা নিজকে দূৰতে বিদুৰ কৰি ৰাখিব পাৰো।

# সুধাকণ্ঠৰ স্মৃতিত ১০০

প্ৰসিদ্ধ শিল্পী মহম্মদ ৰফিৰ জন্ম শতবৰ্ষত মুকলি কৰিছিল এক বিশেষ স্মাৰক মুদ্ৰা। তাৰ পিছতে আজি প্ৰধানমন্ত্ৰী মোদীয়ে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ স্মৃতিত ৰূপৰ এই বিশেষ স্মাৰক মুদ্ৰাটো মুকলি কৰে। তদুপৰি আজিৰ অনুষ্ঠানটোতে সাহিত্য অকাডেমি বঁটাপ্ৰাপক বিশিষ্ট লেখিকা অনুৰাধা শৰ্মা পূজাৰীয়ে লিখা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জীৱনীমূলক গ্ৰন্থ 'ভাৰতৰত্ন ভূপেন হাজৰিকা, গীতৰ চিত্ৰকৰ, সুৰৰ ভাস্কৰ' প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উন্মোচন কৰে। অসমীয়া ভাষাত লিখা সুধাকণ্ঠৰ এই গ্ৰন্থখন ২১টা ভাৰতীয় ভাষালৈ অনুবাদ কৰা হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে আনুষ্ঠানিকভাৱে মূল অসমীয়া সংস্কৰণটোৰ লগতে গ্ৰন্থখনৰ আন ২১টা ভাষাৰ অপঁদিত সংস্কৰণকেইটাও উন্মোচন কৰে।

# দেশৰ পঞ্চদশ উপ-ৰাষ্ট্ৰপতি হিচাপে শপত ল'লে চি পি ৰাধাকৃষ্ণণে



ৰঙিলী বাৰ্তাসেৱা- দেশৰ পঞ্চদশ উপ-ৰাষ্ট্ৰপতি হিচাপে শপতগ্ৰহণ চি পি ৰাধাকৃষ্ণনৰ। ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত এক কাৰ্যসূচীত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে চি পি ৰাধাকৃষ্ণনক উপ-ৰাষ্ট্ৰপতিৰ শপত বাক্য পাঠ কৰোৱায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰাক্তন ( নপৃষ্ঠাত চাওক)

# বিটিচি নিৰ্বাচনৰ সংকল্প পত্ৰ মুকলি বিজেপিৰ



ৰঙিলী বাৰ্তাসেৱা- বি টি আৰৰ নিৰ্বাচনলৈ মাজত মাত্ৰ কেইটামান দিন বাকী। ইতিমধ্যে তুংগত প্ৰতিটো ৰাজনৈতিক দলৰ প্ৰচাৰ। বিটিচিৰ শাসন দখলৰ লক্ষ্যৰে ব্যাপক প্ৰচাৰ অভিযান চলোৱা বিজেপিয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিলে নিৰ্বাচনৰ সংকল্প পত্ৰ। ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দলৰ সংকল্প পত্ৰ উন্মোচন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে ৫টা ভাষাত প্ৰস্তুত কৰা দলৰ নিৰ্বাচনী গীতো মুকলি কৰে। বড়ো, বাংলা, আদিবাসী আৰু নেপালী ভাষাত গীতকেইটা প্ৰস্তুত কৰা হৈছে। উল্লেখ্য যে অহা ২২ ছেপ্টেম্বৰত অনুষ্ঠিত হ'বলগা বিটিচি নিৰ্বাচনত এইবাৰ বিজেপিয়ে (দহ পৃষ্ঠাত চাওক)

# নুমলীগড়ত আজি বিশ্বৰ


টন বাঁহৰ পৰা ৫০, ০০০ টন ইথানল উৎপাদন কৰিব। ইয়াৰ উপৰি এই প্ৰকল্পটোৱে ঔদ্যোগিক উপজাত সামগ্ৰী হিচাপে উচ্চ মূল্যৰ ফাৰফুৰাল, এচিটিক এচিড, বায়'চাৰ, এক্টিভেটেড কাৰ্বন আৰু লগতে ২৫ মেগাৱাট সেউজ শক্তি উৎপাদন কৰিব, যাৰ ফলত ই এক স্ব-নিৰ্ভৰশীল শক্তি প্ৰতিষ্ঠান হিচাপে পৰিচিত হ'ব। এই প্লাণ্টটোৰ ফলত বছৰি ২৩০ কোটি টকাৰ খাৰুৱা তেলৰ আমদানি হ্ৰাস পাব, ভাৰতৰ ইথানল মিশ্ৰণৰ লক্ষ্য পূৰণত সহায় হ'ব, ৫, ০০০তকৈও অধিক কৰ্মসংস্থাপনৰ সৃষ্টি হ'ব ৫০, ০০০তকৈও অধিক পৰিয়ালক সবল কৰি তুলিব আৰু ১২, ৫০০ হেক্টৰ এলেকাত বাঁহৰ খেতি কৰাত কাৰ্বন শোষণ হ'ব। মন্ত্ৰী পুৰীয়ে উল্লেখ কৰে যে এই প্ৰকল্পসমূহ প্ৰধানমন্ত্ৰীৰ আত্মনিৰ্ভৰ ভাৰত দৃষ্টিভংগীৰ এক অংশ হোৱাৰ লগতে উত্তৰ-পূৱ ভাৰতক স্বচ্ছ শক্তি, পেট্ৰ' কেমিকেলছ আৰু গ্ৰাম্য সমৃদ্ধিৰ কেন্দ্ৰ হিচাপে পৰিচয় কৰাই দিয়াৰ উদ্দেশ্যে স্থাপন কৰা হৈছে। যি পদক্ষেপে জলবায়ু কাৰ্যব্যৱস্থা আৰু বহনক্ষম অৰ্থনৈতিক বিকাশত ভাৰতৰ নেতৃত্বক শক্তিশালী কৰি তুলিব।

# কেবিনেটত আলোচনাৰ পাছতহে এছআইটিৰ প্ৰতিবেদন ৰাজহুৱা হ'বঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্তাসেৱা- গৌৰৱ গগৈৰ পাকিস্তান সংযোগ সন্দৰ্ভত বিশেষ তদন্তকাৰী গোট চমুকৈ এছআইটিয়ে দাখিল কৰা ৯৬ পৃষ্ঠাৰ প্ৰতিবেদনখনত কি আছে তাক লৈ সকলোৰে মাজত বৃদ্ধি পাইছে উৎকণ্ঠা । এনে উৎকণ্ঠাৰ মাজতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিবেদন ৰাজহুৱা কৰাৰ সময় ঘোষণা কৰিলে । সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- এছআইটিয়ে দাখিল কৰা প্ৰতিবেদনখনত যথেষ্ট গুৰুত্বপূৰ্ণ তথ্য আছে আৰু এই তথ্যসমূহৰ আধাৰত চৰকাৰে ব্যৱস্থাও ল'ব। বিটিচি নিৰ্বাচনৰ পাছত কেবিনেটত আলোচনা কৰি এই প্ৰতিবেদনখন ৰাজহুৱা কৰিম। একে সময়তে আইনৰ মাজেৰে প্ৰতিবেদন অনুসৰিয়েই ব্যৱস্থা গ্ৰহণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয়- প্ৰতিবেদনখনক লৈ চৰকাৰখনে এখন নাটক কৰিব বুলি যি ধাৰণা কৰিছিল, সেয়া নহ'ব। চৰকাৰে গাম্ভীৰ্যতাৰ সৈতে কাম কৰে, চৰকাৰে টিআৰপিৰ বাবে কাম নকৰে, চৰকাৰে নিজৰ প্ৰক্ৰিয়াৰ মাজেৰে এছআইটিৰ প্ৰতিবেদন ৰাজহুৱা কৰিব। এই প্ৰতিবেদনত ৯৬টা পৃষ্ঠা আছে। গতিকে নিশ্চয় তাত গুৰুত্বপূৰ্ণ তথ্য থাকিব। নহ'লে ৯৬টা পৃষ্ঠা বুঢ়ীআইৰ সাধুৰ দৰে লিখি থোৱা হোৱা নাই। এইখন প্ৰতিবেদনৰ গাম্ভীৰ্যতা সকলোৱে বুজি পাব। প্ৰতিবেদন সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে লগতে কয়- প্ৰতিবেদনৰ ভিত্তিত কোন লোকক জেৰা কৰা হ'ব, সেই বিষয়টোত কংগ্ৰেছৰ কৰ্মীয়ে সিদ্ধান্ত ল'ব নোৱাৰে, সেয়া আৰক্ষীয়ে ল'ব। কংগ্ৰেছৰ কৰ্মীবোৰ ( নপৃষ্ঠাত চাওক)

# মেঘালয়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ডিডি লাপাঙৰ মৃত্যু



ৰঙিলী বাৰ্তাসেৱা- মেঘালয়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ড'ৰ ডনৱা ডেথৱেলছন (ডিডি লাপাঙ)ৰ শুক্ৰবাৰে দেহাৱসান ঘটে। বাৰ্ধক্যজনিত ৰোগৰ বাবে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। স্বাস্থ্যৰ অৱনতি ঘটাৰ বাবে তেওঁক শ্বিলঙৰ বেথানী হাস্পতালত ভৰ্তি কৰা ছিল। হাস্পতালৰ বিচনাতে তেওঁ যোৱা নিশা শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯১ বছৰ। মেঘালয়ৰ ৰাজনীতিৰ অন্যতম এগৰাকী গুৰুত্বপূৰ্ণ নেতা হিচাপে পৰিচিত ডি ডি লাপাং। ৰাজনীতিবিদ গৰাকীৰ মৃত্যুত ৰাজ্যজুৰি শোকৰ ছাঁ পৰিছে। প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ মৃতদেহ লাছমিয়েৰত তেওঁৰ বাসভৱনত ৰখা হ'ব। উল্লেখ্য যে ১৫ ছেপ্টেম্বৰত ৰাজ্যিক সন্মানেৰে তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া কৰা হ'ব। ১০ এপ্ৰিল, ১৯৩৪ তাৰিখে জন্মগ্ৰহণ কৰা লাপাঙৰ জীৱন যাত্ৰা স্থিতিস্থাপকতা আৰু দৃঢ়তাৰ দ্বাৰ চিহ্নিত আছিল। ৰাস্তা নিৰ্মাণকাৰী। মিক হিচাপে কেৰিয়াৰ আৰম্ভ কৰি ( নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত অজাপৰ সভাপতি লুৰিণজ্যোতি গগৈৰ সংবাদমেল




ৰঙিলী বাৰ্তাসেৱা- অসম আগমনৰ প্ৰাকমুহূৰ্তত প্ৰধানমন্ত্ৰীক উদ্দেশ্য কৰি ৩ টা প্ৰশ্নৰ উত্তৰ বিচাৰি শুক্ৰবাৰে ডিব্ৰুগড়ৰ থানা চাৰিআলিত থকা গগৈ কমপ্লেক্স এক সংবাদমেল সম্বোধন কৰে অজাপৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে। সংবাদমেলৰ জৰিয়তে লুৰিণজ্যোতি গগৈয়ে কয় যে, চলিত বৰ্ষৰ ২৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীয়ে অসমলৈ আহোঁতে প্ৰধানমন্ত্ৰীক উদ্দেশ্যি ১৭ টাই প্ৰশ্ন উত্থাপন কৰিছিল। কিন্তু লুৰিণজ্যোতি গগৈৰ প্ৰশ্নৰ এটাও উত্তৰ নিদিয়াকৈ অসম ত্যাগ কৰিছিল প্ৰধানমন্ত্ৰীয়ে। প্ৰধানমন্ত্ৰীয়ে পুনৰ অসম ভ্ৰমণৰ প্ৰাক ক্ষণত অসমৰ জনতাৰ বাবে পুনৰ তিনিটা প্ৰশ্নৰ উত্তৰ বিচাৰিছে অজাপৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে। তেওঁ কয় যে, যোৱা ২০১৯ চনৰ ৩০ মাৰ্চত তিনিচুকীয়াৰ মৰাণ আৰু গহপুৰত অনুষ্ঠিত হোৱা নিৰ্বাচনী সভাত ৬ জনগোষ্ঠীক জনজাতিকৰণৰ প্ৰতিশ্ৰুতি দিয়াৰ পিছতো আজি পৰ্যন্ত কিয় কাৰ্যকৰী নকৰিলে? দ্বিতীয়তে, ২০১৪ চনৰ ২৮ এপ্ৰিলত প্ৰধানমন্ত্ৰীৰ ঘোষণা অনুসৰি ১৬ মে'ৰ পাছত অবৈধ ( নপৃষ্ঠাত চাওক)

# গৌৰৱ গগৈৰ বিৰুদ্ধে এছআইটিৰ প্ৰতিবেদনক লৈ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ পাকিস্তান সংযোগ আৰু আলী তৌকিৰ শেখ নামৰ এজন পাকিস্তানী নাগৰিকৰ ভাৰতবিৰোধী কাৰ্যকলাপৰ তদন্তৰ বাবে গঠন কৰা বিশেষ তদন্তকাৰী গোট, চমুকৈ এছআইটিয়ে দাখিল কৰিছে তদন্তৰ প্ৰতিবেদন। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিবেদন গ্ৰহণৰ পিছত বিশেষ প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিলেও এছআইটি সন্দৰ্ভত স্পষ্ট কৰিলে চৰকাৰৰ স্থিতি। বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ বাবে যোৱা মুখ্যমন্ত্ৰী ড° শৰ্মাই সংবাদ মাধ্যমৰ আগত কয়- এছআইটিৰ প্ৰতিবেদনখনত গুৰুতৰ অভিযোগ আছে আৰু যথেষ্ট চিন্তনীয়। এই বিষয়ে কেবিনেটত আলোচনা কৰা হ'ব। প্ৰতিবেদনখনৰ সংবেদনশীলতাৰ প্ৰতি লক্ষ্য ৰাখি যিমানখিনি পৰা যায়, সিমানখিনি সংবাদ মাধ্যমক অৱগত কৰা হ'ব। ইফালে এছআইটিৰ প্ৰতিবেদনখন ফ্লপ হোৱা বুলি মন্তব্য কৰি যথেষ্ট সৰৱ হোৱা প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈকো তীব্ৰ কটাক্ষ কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই। মুখ্যমন্ত্ৰী ড° শৰ্মাই ( নপৃষ্ঠাত চাওক)

# নেপালত উত্তপ্ত পৰিস্থিতিৰ মাজতে জে'লৰ পৰা পলাল ১৫ হাজাৰ কয়দী




ৰঙিলী বাৰ্ত্তাসেৱা- নেপালত জ্বলিয়ে আছে বিদ্ৰোহৰ জুই। মুক্তভাৱে চলিছে লুটপাত। ইয়াৰ মাজতে নেপালৰ বিভিন্ন কাৰাগাৰৰ পৰা পলায়ন কৰিছে প্ৰায় ১৫ হাজাৰ কুখ্যাত অপৰাধী। তাতোকৈ ভয়ংকৰ কথা এয়ে যে এই দুৰ্ধৰ্ষ অপৰাধীসকলে আত্মগোপনৰ বাবে ভাৰতত প্ৰৱেশ কৰাৰ চেষ্টা চলাই আছে। সীমান্ত অঞ্চলত ভাৰতীয় সেনাই কটকটীয়া নিৰাপত্তা বেষ্টনী গঢ়ি তুলিছে। উত্তৰ প্ৰদেশত প্ৰজন জে'লৰ পৰা পলোৱা অপৰাধীক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। কাঠমাণ্ডুৰ দিল্লী বজাৰ কাৰাগাৰ, চিটৱান, নখো, ঝুমকা আৰু জলেশ্বৰকে ধৰি কেইবাখনো কাৰাগাৰৰ পৰা কয়দীয়ে পলায়ন কৰিছে। ইয়াৰ মাজতে ( নপৃষ্ঠাত চাওক)

# শিক্ষক ইন্দ্ৰ কান্ত বৈশ্যক কৃতী শিক্ষকৰ বঁটা প্ৰদান



ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ জিলা প্ৰশাসন আৰু শিক্ষা বিভাগ, কামৰূপৰ উদ্যোগত ৫ ছেপ্টেম্বৰ'২৫ তাৰিখত আমিনগাঁও বায়োটেক পাৰ্ক প্ৰেক্ষাগৃহত ৬৪ তম সংখ্যাক শিক্ষক দিৱস পালন কৰা হয়। হাজো শিক্ষা খণ্ড শুৱালকুছি থানা বংশৰ ক্লাছটাৰৰ অন্তৰ্গত বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ইন্দ্ৰ কান্ত বৈশ্যক "জিলা কৃতী শিক্ষক বঁটা" প্ৰদান কৰে। উল্লেখ্য যে - অসম গাঁৱ ৰক্ষী বাহিনী সাহসী বঁটা (১৯৯০), বিশ্ব জ্যোতি ক্লাবৰ পৰা বিশিষ্ট সমাজকৰ্মী বঁটা (২০১১), অসম সাহিত্য সভাৰ স্বৰ্ণ শাখা সদৌ বংশৰ লক্ষ্মী সাহিত্য সভাৰ পৰা কৰুণা কান্ত দাস সাংস্কৃতিক বঁটা (২০১৮), ক্ৰিয়েটিভ ডান্স একাডেমী, বংশৰৰ পৰা "ঘোষক" বঁটা (২০১৯), নৰৰূপ নাট্য গোষ্ঠী, বাক্সা (বি টি এ বি)ৰ সাংস্কৃতিক কৰ্মী বঁটা(২০২০), চুৰীয়া ফাউণ্ডেশ্যনৰ পৰা 'সন্মানীয় অতিথি ' হিচাপে সম্বৰ্ধিত (২০২২), সদৌ বংশৰ ৰঙালী বিহু সন্মিলন সোণালী জয়ন্তী উদযাপন ৰ পৰাওলগনি পত্ৰ (২০২২), New Express24ৰ পৰা 'সমাজ কৰ্মী' বঁটা (২০২৪), কামৰূপ জিলাৰ শ্ৰেষ্ঠ BLO বঁটা (২০২৫), ৪৮তম শ্ৰীশ্ৰী কৃষ্ণৰ সুৱৰী মহোৎসৱ শ্ৰীশ্ৰী গোপাল থান, আমবাড়ীৰ পৰা 'কৃতজ্ঞতা পত্ৰ' (২০২৫), শুৱালকুছি যুৱ নৱজাগৰণ সংঘৰ পৰা 'বিশিষ্ট সমাজকৰ্মী তথা শিক্ষক বঁটা (২০২৫) লাভ কৰে। বিদ্যালয়খনত বিদ্যাৰম্ভ, বিষ্ণু ৰাভা দিৱস, জ্যোতি দিৱস, ভূপেন্দ্ৰ দিৱস, গণৰাজ্য দিৱস, স্বাধীনতা দিৱস, শিক্ষক দিৱস, শিশু দিৱস, শৈক্ষিক মেলা, খেল ধেমালি, বাৰ্ষিক বঁটা বিতৰণি, মাতৃ গোট, শনিবৰীয়া ক্লাব, ছাত্ৰ সংসদ আৰু সমাজৰ সমল ব্যক্তিৰ দ্বাৰা বিভিন্ন শৈক্ষিক সভা অনুষ্ঠিত কৰি আহিছে। উক্ত সভাত অসম অগ্নি আৰু দুৰ্যোগ প্ৰশাসন সেৱাৰ উপসঞ্চালক, বিশিষ্ট কবি নন্দ সিং বৰকʼলা, কামৰূপ জিলাৰ উন্নয়ণ আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্ত সুজতাগগৈ, কামৰূপ বিদ্যালয় সমূহৰ পৰিদৰ্শক তপন কুমাৰ কলিতা, জিলা আঁচনি বিষয়া (সমগ্ৰ শিক্ষা) ফুলপাহি নাথে বক্তব্য ৰাখে।

# ধুবুৰীৰৰ ঘটনাক লৈ গোলকগঞ্জৰ অ'চিক নিলম্বন



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰতিবাদকাৰীৰ ওপৰত আৰক্ষীয়ে লাঠীচালনা কৰা ঘটনাই সমগ্ৰ ৰাজ্য জোকাৰি গৈছে। বুধবাৰে নিশা সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত আৰু ধুবুৰী পশ্চিম জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ সহযোগত উলিওৱা হৈছিল বিশাল প্ৰতিবাদী জোঁৰ সমদল। কোচ-ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণ আৰু পৃথক কমতাপুৰৰ দাবীৰে গোলকগঞ্জত এই বিশাল প্ৰতিবাদী জোঁৰ সমদল কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল। ধুবুৰীৰ গোলকগঞ্জৰ চিলাৰায় মহাবিদ্যালয়ৰ সন্মুখৰ পৰা চহৰ অভিমুখে জনজাতিকৰণ আৰু পৃথক কমতাপুৰ ৰাজ্যৰ দাবীৰে উলিওৱা জোঁৰ সমদলকাৰীক আৰক্ষীয়ে লাঠীচাৰ্জ কৰা ঘটনাই সৃষ্টি কৰা প্ৰতিক্ৰিয়াৰ ( নপৃষ্ঠাত চাওক)

# ডেৰাডুনত ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন প্ৰধানমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডেৰাডুনত ডাৱৰ বিস্ফোৰণ, বৃষ্টিপাত আৰু বানত ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। ইয়াৰ পিছতে প্ৰধানমন্ত্ৰীয়ে ক্ষতিগ্ৰস্ত লোকসকলৰ উদ্ধাৰ আৰু সাহায্যৰ লগতে পুনৰ সংস্থাপন সন্দৰ্ভত চৰকাৰী বিষয়াসকলৰ সৈতে এক পৰ্যালোচনা বৈঠকত মিলিত হয়। প্ৰধানমন্ত্ৰীয়ে প্ৰাকৃতিক দুৰ্যোগত বিধ্বস্ত ৰাজ্যখনৰ বাবে ১২শ কোটি টকাৰ বিত্তীয় সাহায্য ঘোষণা কৰে। প্ৰধানমন্ত্ৰীয়ে অঞ্চলটোৰ ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰ সংস্থাপনৰ বাবে বহুপাক্ষিক দৃষ্টিভংগীত গুৰুত্ব আৰোপ কৰে। ক্ষতিগ্ৰস্ত লোকসকলক প্ৰধানমন্ত্ৰী আৱাস প্ৰদান, ঘাইপথ, বিদ্যালয় পুনৰ নিৰ্মাণ, পিএমএনআৰএফৰ অধীনত সাহায্য প্ৰদান আৰু পশুধনৰ বাবে খাদ্য-সামগ্ৰী প্ৰদানৰ দৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ৰাজ্যখনৰ ক্ষতিগ্ৰস্ত অঞ্চলৰ বুজ লোৱাৰ বাবে এটা আন্তঃমন্ত্ৰালয়ৰ দল প্ৰেৰণ কৰিছিল। তেওঁ দুৰ্যোগত নিহত লোকসকলৰ আত্মীয়ক ২ লাখকৈ আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ দিয়াৰ কথা ঘোষণা কৰে।

# পাটনাত আৰজেডি নেতাক নৃশংস হত্যা



ৰঙিলী বাৰ্ত্তাসেৱা- বিধানসভা নিৰ্বাচনৰ পূৰ্বেই ৰক্তাক্ত হৈ পৰিল বিহাৰ। পাটনাত ৰাষ্ট্ৰীয় জনতা দলৰ এগৰাকী নেতাক অজ্ঞাত দুষ্কৃতিকাৰীয়ে গুলীয়াই হত্যা কৰে। আৰক্ষীৰ সূত্ৰ অনুসৰি ৰাজকুমাৰ ৰায় ওৰফে আল্লাহ ৰায়ক নিশা মুন্নাচ'ক অঞ্চলত দুজন যুৱকে আক্ৰমণ কৰে। আক্ৰমণত থিতাতে ঢলি পৰে ৰাজকমাৰ। আক্ৰমণৰ পিছতে দুষ্কৃতিকাৰীয়ে পলায়ন কৰে। ঘটনাৰ খবৰ পাই আৰক্ষী উপস্থিত হৈ আহত ৰাজকুমাৰক ততাতৈয়াকৈ চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসালয়তে তেওঁৰ মৃত্যু হয়। প্ৰাথমিক তদন্তত ভূমি বিবাদৰ বাবেই হত্যাকাণ্ড সংঘটিত হোৱা বুলি সন্দেহ কৰিছে।

# লিমাৰিক



**মায়া বৰদলৈ**

(১)
ভাদ মাহ আহিলেই মন ভাল লাগে
নামত মজি থাকিলে ভাগৰ নালাগে
নাম গাওঁ তালে তালে
চাহ লাৰু সবে খালে
প্ৰসাদৰ টোপোলালৈ উঠিবহে লাগে ।

(২)
বতৰৰ ফলমূল বতৰতে খাবা
তেতিয়া বছৰতোলৈ গাত বল পাবা
কঠাল লেটেকু আম
মধুৰি জামুক খাম
বেচিকৈ নিদিবা খাই গেছ হব চাবা ।

**ৰশ্মি গগৈ,টেঙাখাত, ডিব্ৰুগড়**

(১)
জীৱনৰ কণ্টকীয়া পথত চলিছোঁ,
জ্ঞান ও অভিজ্ঞতা আহৰণ কৰিছোঁ,
জীৱনটো দুদিনীয়া,
নহয় চিৰ দিনীয়া,
সেয়েহে মিলি জুলি থকাৰ পণ লৈছোঁ।

(২)
লিমাৰিক লিখাটো যে সহজ নহয়,
কবিতা লিখা টোৱে অতি সহজ হয়,
গনি গনি লিখাচোন,
চিন্তা চৰ্চা কৰাচোন,
নিমিলিলে মনটো দুখ লাগিয়ে যায়।

**উমা দেৱী**

(১)
ৰাতি মাংস ভাত খাই শুৱলৈ গলো
হঠাতে চোৰ এটা দেখি থমকি ৰলো
কেনেকৈ সোমাল ঘৰ
মোক দেখি মাৰে লৰ
তাক ধৰিব যাওঁতে উজুতিহে খালো।

(২)
চোৰ লৰি গৈ গেট পাৰ হৈয়ে যে গ'ল
পিন্ধি অহা ক'লা সাজ গেটতে থৈ গ'ল
গৃহস্থ আহি নাপায়
গেট পাৰ হৈয়ে পায়
হায় বিধি বুলি গৃহস্থ টোপনি গ'ল।

**মালবিকা দেৱী, শোণিতপুৰ**

(১)
তৰাই খুলিছে এটা ফেচবুক পেজ,
লাইক কমণ্ট দিব কৰিলে মেচেজ।
মেচেজটো পঢ়ি চাই,
কলো তোৰ কাম নাই।
ফেচবুক পেজ খুলি তয়ো হলি চেঞ্জ ।

(২)
এতিয়া মহিলাবোৰ ডিজিটেল হ'ল,
স্বামীৰ তপা মূৰত ৰুটি বেলা হ'ল।
ইস্ত্ৰি আজি তাৰা হ'ল,
মূৰটো বেলনা হ'ল।
স্বামীয়ে ভাবে পত্নীৰ মূৰটোহে গ'ল।

# নামঘৰ আৰু মহাপুৰুষ গুৰুজনা শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ



**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**

জয় জয় বৰদোৱা বৈকুণ্ঠ দুতয়।
সেহি স্থানে শঙ্কৰ গুৰু ভৈল
উদয় ।।
চাৰিওফালে চাৰি হাটী মহা
ভক্ত গণ ।
চৈধ্যয় প্ৰসংগ কৰে নাম
কীৰ্তন।।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আমাৰ অসমীয়া সমাজৰ এগৰাকী আদৰ্শ গুৰু, তেখেতক পৰম পিতা পৰমেশ্বৰে অৱতাৰ ৰূপে পঠোৱা যেন লাগে, ঐতিহাসিক সেই সময়ত অন্ধকাৰ সমাজৰ পোহৰৰ বাটৰ সন্ধান দিয়া মহান ব্যক্তি গৰাকীয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ। শিৰোমণি ভূঞাৰ বংশত জন্ম গ্ৰহণ কৰা মহাপুৰুষজনাই সমাজ তথা পৰিয়াল আদিৰ মাজত উচ্চ-নিচ ব্যৱধান দূৰ কৰিবলৈ এক শৰণ বৈষ্ণৱ ধৰ্মৰ পাতনি মেলিছিল । তেওঁ পূজা পাতল জীৱহত্যা আদিৰ বিৰোধিতা কৰিছিল। তেওঁৰ মতে এটা জীৱক হত্যা কৰি এটা জীৱ কেতিয়াও সুখী হ'ব নোৱাৰে। তেখেতৰ এক শৰণ হৰিনাম ধৰ্মৰ আদৰ্শক গাৱোৰ গোবিন্দ, নগাৰ নৰোত্তম, কৈৱৰ্তৰ ৰাধিকা, মিছিঙৰ পৰমা, আহোমৰ নৰহৰি আদিয়ে এক মত পোষণ কৰি নিকা সমাজ প্ৰতিষ্ঠাৰ অংশীদাৰ হৈছিল। সকলো জীৱ ইশ্বৰৰ সৃষ্টি সকলোৰে অন্তৰত ইশ্বৰে বাস এয়া তেখেতৰ উদাৰ সম দৃষ্টিভংগী সমাজখনৰ কাৰণে ধনাত্মক দিশ অশুভ শক্তিৰ নাশৰ এক বিৰল উদাহৰণ। কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎচৰ্য এই ছয় ৰিপুক দমন কৰিব পাৰিলে ব্যক্তিয়ে অসাধ্য সাধন কৰিব পাৰে। সৎকৰ্ম আৰু মানৱতা আছিল মহাপুৰুষ জনাৰ প্ৰকৃত আদৰ্শ।

মহাপুৰুষ জনাৰ ধৰ্ম প্ৰচাৰত নামঘৰৰ এক উল্লেখযোগ্য ভূমিকা আছে। নামঘৰ আৰু অসমীয়া সমাজখনৰ এক ওতঃপ্ৰোত সম্পৰ্কৰ আছে। পূৰ্ব পুৰুষ সকলৰ সামাজিক সকলো কামৰ আলোচনা পৰ্যালোচনা নামঘৰত বহি সকলো সিদ্ধান্ত গ্ৰহণ কৰিছিল।নামঘৰ উপাসনা স্থল হোৱাৰ লগতে অসমীয়া সমাজখনৰ সকলো বিষয়ৰ নিষ্পত্তি স্থল হিচাপে পৰিগণিত হৈছিল এতিয়াও দুই এঠাইত নিশ্চয় আছে। গাঁওত ভাওনা -সভাহ , ৰং -ধেমালি সকলো নামঘৰতে উদযাপন কৰিছিল এতিয়াও হয়। প্ৰভু শ্ৰীকৃষ্ণৰ দৌলযাত্ৰা, ফাকুৱা খুব ধুম ধামেৰে বৰদোৱা, দৌল গোবিন্দ, শুৱালকুছি শ্ৰী শ্ৰীহাটী আদি বিভিন্ন সত্ৰ নামঘৰত অনুষ্ঠিত হোৱা দেখিছোঁ। গতিকে অসমীয়া সমাজ জীৱনত নামঘৰৰ উল্লেখ যোগ্য ভূমিকা আছে।

কিন্তু এই নামঘৰ উৎপত্তি আমাৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰু জনাৰ আশীৰ্বাদত।

" শ্ৰী মন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু ।
তাহান্ত বিনাই নাহি নাহি নাহি
আমাৰ পৰম গুৰু ।"

সমাজ জীৱনলৈ তেওঁৰ অৱদান সত্ৰ/ নামঘৰ আৰু বৰগীত ইত্যাদি অনেক আছে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱে ধৰ্মৰ চাৰিখুঁটি মাৰি ভাগৱত ধৰ্মৰ পাতনি মেলিছিল। এই ভাগৱত ধৰ্মৰ প্ৰৱৰ্তনৰ খাতিৰত চাৰিহাটি, দৌলগৃহ, মণিকূট, কীৰ্তন ঘৰ আদিত ভক্তগণ আদি সমাহাৰে জ্ঞানৰ আলোক বিতৰণ কৰিছিল, যাক আমি নামঘৰ বুলি কওঁ ।

এই নামঘৰ বা কীৰ্তন ঘৰত হৰিৰ -কথা চৰ্চাৰ প্ৰসংগ, গুৰু, দেৱ, নাম, ভকত এই চাৰি বস্তু। গুৰুজনাৰ আশীৰ্বাদ লৈ ১৫৪৩ খ্ৰীষ্টাব্দত তেওঁৰ পৰম শিষ্য মহাপুৰুষ মাধৱদেৱে বৰপেটা সত্ৰ স্থাপন কৰে। তিনি প্ৰসঙ্গৰ পৰিবৰ্তে চৈধ্য প্ৰসঙ্গ, গীত মাত ঘোষা আদি পৰিবেশন কৰিছিল।

বৰপেটা, কমলাবাৰী, শুৱালকুছি হাটী সত্ৰ আদি তেওঁৰ শিষ্য সকলে স্থাপন কৰি, খোল -বাদ্য, হৰি নাম প্ৰসঙ্গ পৰম্পৰাগত ভাৱে পৰিবেশন কৰি অসমীয়া সমাজখনৰ এক উল্লেখযোগ্য অৱদান আগবঢ়াই থৈ গৈছিল যাৰ কাৰণে এতিয়াও এক আধ্যাত্মিক সৎ পথত আগুৱাই যোৱাত সমাজখনক সহায় কৰিছে। শ্ৰীমন্ত শঙ্কৰদেৱৰ কীৰ্তন -ঘোষা ধৰ্মীয় গ্ৰন্থক বেদৰ স্থান পাইছে ঠিকে তেনেকৈ তেওঁৰ পৰম শিষ্য মহাপুৰুষ মাধৱ দেৱৰ নাম-ঘোষাত এহেজাৰ ঘোষা থকা কাৰণে হেজাৰী ঘোষা বুলি কয়। দুয়োখন গ্ৰন্থ প্ৰায় ভাগ নামঘৰতে বিদ্যামান। ভকতসকলে আওৰাই থাকে।

অসমৰ সমাজ জীৱনৰ প্ৰাণ প্ৰতিষ্ঠাতা শ্ৰীমন্ত শঙ্কৰ দেৱে সত্ৰ/নামঘৰ প্ৰতিষ্ঠা কৰাৰ উপৰিও বৰগীত সমূহ ৰচনা কৰি , লোক-সংস্কৃতি চৰ্চা কৰি আমাৰ সমাজখনৰ বিকাশৰ কাৰণে এক উল্লেখনীয় পথ প্ৰদৰ্শন কৰি থৈ গৈছে। তেখেতৰ একমাত্ৰ উদ্দেশ্য আছিল সমাজখন সংস্কাৰ কৰি কু-সংস্কাৰ নাশ কৰা। সাম্প্ৰতিক সময়ত বিভিন্ন পৰিস্থিতি চিন্তা চেতনা বোৰ পৰিৱৰ্তন হৈছে যদি ভাল আৰু শুদ্ধ পথত হয় সেয়া শুভ লক্ষণ। যদি নহয় সময়ৰ সোঁতত উটি যোৱা বিধৰ হয়, তেন্তে সেয়া হ'ব জাতিটোৰ বাবে চৰম দুৰ্ভাগ্যৰ বিষয়। গতিকে অসমীয়া জাতিটোৰ বৌদ্ধিক জীৱনৰ ওপৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৰু নামঘৰৰ বিশেষ স্থান আছে। আমি সকলোৱে গুৰুজনাৰ আদৰ্শ লগতে নামঘৰ/সত্ৰ পৱিত্ৰ ঠাই বোৰ ৰক্ষণা-বেক্ষণ দিব লাগিব। সমাজখনক শুদ্ধ পথত আগবঢ়াই নিব লাগিব। ধৰ্মক দোহাই দি কিছুমান অশুদ্ধ বাতাবৰণ গঢ়ি তুলিব চেষ্টা কৰা সকলৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিব লাগিব। কেতিয়াবা কিছুমান লোকৰ কু চক্ৰান্তৰ কাৰণে জটিল সমাজ ব্যৱস্থাৰ সৃষ্টি হয় তাক আমি নিঃশেষ কৰিব লাগিব। আমাৰ দায়িত্ব আমাক গুৰু জনাই দি যোৱা সৎ আদৰ্শ নৱপ্ৰজন্মৰ আগত দাঙি ধৰিব লাগিব। গতিকে নামঘৰৰ দৰে পৱিত্ৰ ঠাইতহে সকলো সম্ভৱ এয়া সম্ভৱ হৈছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আশীৰ্বাদত ।

# সন্দেহবাদী মন মানে ব্যক্তিত্বৰ অৱনতি



**শৈলেন কুমাৰ, মিৰ্জা, দক্ষিণ কামৰূপ**

সন্দেহ, চতুৰ আৰু চঞ্চল অৱশেষত শূন্য এই বাক্যশাৰীৰ অৰ্থ বহুজনৰ বাবে ভ্ৰান্তি অথবা দিঠক হব পাৰে। সন্দেহৰ কৰলত পৰি বহুজন বিভিন্নধৰণে ধ্বংস হোৱাৰ প্ৰমাণ আছে। সাধাৰণতে আমাৰ মনত বিভিন্ন ধৰণৰ চিন্তাই ক্ৰিয়া কৰি থাকে। সকলোৰে চিন্তাৰ কাৰণ ভিন্নভিন্ন। তাৰ উপৰিও অন্যৰ তুলনাত নিজকে শ্ৰেষ্ঠতম সজোৱাৰ প্ৰতিযোগিতা বহুৰঙী। সন্দেহ এটা এনেকুৱা বস্তু যিটো বস্তুৱে বহুতৰে জীৱন, সংসাৰ, সম্পৰ্ক ধ্বংস কৰিছে। বহুতৰ সাংসাৰিক জীৱন ধ্বংস কৰিছে। লগতে সৰুবৰ সন্দেহবাদী চিন্তাধাৰাৰ কথাটো বাদেই দিলো। আমি কেতিয়াবা আনক এৰি নিজক প্ৰশ্ন কৰিছোনে? আমি আনক প্ৰশ্ন কৰাত ইমানেই অভ্যস্ত হৈ পৰো যে নিজক প্ৰশ্ন কৰাটো আত্মঅভিমানত লগা কথা হৈ পৰে। আমি আনক তুচ্ছ জ্ঞান কৰিব পাৰো কিন্তু নিজক তুচ্ছৰ শাৰীত ৰাখিব নিবিছাৰোঁ। আৰু যেতিয়ালৈকে আমাৰ অনুশোচনা হয় তেতিয়ালৈকে বহু পলম হৈ যায় আমি শুধৰণি কৰিব বিচাৰিলে শুধৰাব নোৱাৰো। আচলতে আমাৰ সন্দেহ কিয় উপজে? এই সন্দেহ পাছত গৈ হিংসা, ঈৰ্ষা, ষড়যন্ত্ৰৰ কাৰক হৈ পৰে। নিজস্ব নীতিআদৰ্শহীন মানুহৰ সন্দেহ উপজি উঠাটো স্বাভাৱিক কথা। নিজস্বতাৰ অৰ্থ এয়া নহয় যে মহাত্মাৰ বাণী। নিজস্বতাৰ অৰ্থ হৈছে নিজে নিজৰ লগত হোৱা পৰিচয়। জীৱনৰ উদ্দেশ্য লক্ষ্য কি হোৱা উচিত? একাংশৰ মতে ধনসম্পত্তি, অট্টালিকা, ধুনীয়া পত্নী, ভাল চাকৰি, লৰাছোৱালী এইবোৰ নহয় জানো? শতকৰা ৯৯ শতাংশ মানুহৰ মতে এয়াই জীৱনৰ লক্ষ্য তথা জীৱনৰ সুখ। ভোগ আৰু স্বাৰ্থত লিপ্ত মানুহ সন্দেহবাদী হয় ফলত তুলনা আৰু প্ৰতিযোগিতাৰ বহুৰঙী ক্ষেত্ৰতখনত উপঙি সৰ্বস্ব বিনাশ হয়। বিনাশ হয় চৰিত্ৰ, আদৰ্শ, নৈতিক জ্ঞান, লাজচৰম, ব্যক্তিত্বৰ সমূলি বিনাশ হয়। সুখৰ সংজ্ঞা কেতিয়াও ভোগ হব নোৱাৰে। ত্যাগ অবিহনে প্ৰকৃত সুখৰ উপলব্ধি হব নোৱাৰে আৰু আমি কেৱল সংগ্ৰহ কৰাত ব্যস্ত। আমাৰ অভাৱৰ অন্ত নাই সেইবাবে ছটফটাই থাকো কাৰণ জীৱনত শান্তি নাই। শান্তি আৰু অশান্তিৰ দোমোজাত ভুক্তভোগী জনগণ। আনক এৰি নিজক চাবলৈ শিকক, আনক তুলনা কৰিবলৈ এৰি নিজক প্ৰশ্ন কৰিবলৈ শিকক তেতিয়াহে জোলোঙাৰ মেকুৰী ওলাই পৰিব।

# বিষাক্ত ৰজনী



**ৰিচা গগৈ, ডিব্ৰুগড়**

জানা প্ৰিয়,
ভালপোৱাৰ ৰং হেনো ৰঙা
কিন্তু অশ্লীল নহয়।
শৰীৰৰ বাসনাত মাতাল প্ৰেমিকে নাজানে
জোনাক সৰা ৰজনীৰ বুকুত
ভালপোৱাৰ হেঁপাহ কি।
তুমি ধুৰন্ধৰ নহয় প্ৰিয়,
তুমি হেনো প্ৰেম কৰা
উজ্জ্বল দুচকুৰ প্ৰেমত পৰা।
কিন্তু প্ৰিয়...
সেই বিষাক্ত ৰজনীটোৰ কথা
তুমি পাহৰিলা নেকি ?
প্ৰশ্ন নকৰোঁ তোমাক
উত্তৰত তুমি মোক
অপবাদেৰে উপচাই পেলাবা।
তুমি প্ৰচাৰ কৰিবা মাথোঁ
তিক্ত প্ৰেমৰ উন্মাদ ভৰা
বিষাক্ত প্ৰেয়সীৰ কথা ।

# নিচামুক্ত অসমৰ স্বপ্নঃ সম্ভাৱনা আৰু প্ৰত্যাশা



**যোৱাখগুৰ পৰা... দ্বীপেন বৰুৱা**

ফলত অসমক চোৱাং মাদক দ্ৰব্যৰ মুখ্য গন্তব্যস্থান হিচাপে ব্যৱহাৰ কৰাৰ পৰিসৰ পূৰ্বতকৈ হ্ৰাস পাইছে। যুৱ-প্ৰজন্মৰ লগতে বিভিন্ন বেচৰকাৰী সংস্থা, অভিভাৱক তথা সমাজৰ সচেতন ব্যক্তিসকলে চৰকাৰৰ এই পদক্ষেপক স্বাগতম জনাইছে। সমাজত এনে নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে এক নতুন বাতাবৰণ গঢ়ি তুলিবলৈ যত্ন কৰিছে। অৱশ্যে অসমক এখন নিচামুক্ত ৰাজ্য হিচাপে গঢ়িবলৈ হ'লে নিচাসক্তসকলৰ কথাও চিন্তা কৰিব লাগিব। যিসকল ইতিমধ্যে নিচাৰ কবলত পৰি সৰ্বশ্ৰান্ত হৈছে, সেইসকলক শুদ্ধ পথলৈ ওভোটাই অনাটো অত্যন্ত জৰুৰী। এইক্ষেত্ৰত নিচামুক্তি কেন্দ্ৰ (De-Addiction Centre) এক সমাধানৰ পথ হ'ব পাৰে। অসমত বৰ্তমানলৈকে ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ৰপৰা অনুদানপ্ৰাপ্ত ডিমা হাচাও, শ্ৰীভূমি, বঙাইগাওঁ, তিনিচুকীয়া, যোৰহাট, নগাওঁ, শিৱসাগৰ, মঙ্গলদৈ আৰু চিৰাং জিলাত নিচামুক্তি কেন্দ্ৰ স্থাপন হৈছে। তদুপৰি কেন্দ্ৰীয় মন্ত্ৰালয়ৰ তৰফৰ পৰাই অসমৰ চৈধ্যখনকৈ জিলাত নিচাসক্তসকলৰ বাবে সংগঠিত পুনৰ্বাসন কেন্দ্ৰ (Integrated Rehabilitation Centre for Addicts, IRCA) গঢ়ি উঠিছে। ইয়াৰ লগতে অসম চৰকাৰেও ছখন জিলাত নিচামুক্তি আৰু পুনৰ্বাসন কেন্দ্ৰ (De-Addiction cum Rehabilitation Centre) আৰু তিনিটা নিচা নিৰাময় কেন্দ্ৰ (Addiction Treatment Facility, ATF)ৰ ব্যৱস্থা কৰিছে। নিচাসক্তসকলক যিকোনো সময়তে সহায় তথা পৰামৰ্শ প্ৰদান কৰিব পৰাকৈ বিনামূলীয়া হেল্পলাইন নম্বৰো (১৪৪৪৬) সুবিধা আছে। এনে কেন্দ্ৰৰ সংখ্যা বৃদ্ধি হোৱাটো ৰাজ্যখনৰ বাবে গৌৰৱৰ বিষয় নহয় যদিও এই সমস্যাৰ অন্ত নপৰালৈকে ইয়াৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। কিছু বেচৰকাৰী সংস্থায়ো অসমৰ কেইবাখনো জিলাত নিচামুক্তি কেন্দ্ৰ খুলি চলাই আছে যদিও পূৰ্বতে নিচাসক্তসকলেই এনে কেন্দ্ৰসমূহত জড়িত হৈ আছে। তেওঁলোকৰ অধিকাংশৰেই বিজ্ঞান সন্মত জ্ঞান নাই। নিজৰ অভিজ্ঞতাৰেই এই নিচামুক্তি কেন্দ্ৰবোৰ চলাই গৈছে। গতিকে ৰাজ্য চৰকাৰে বেচৰকাৰী সংস্থাৰ দ্বাৰা পৰিচালিত কেন্দ্ৰসমূহ ভালদৰে পৰ্যবেক্ষণ কৰি তেওঁলোকৰ দক্ষতা বিকাশৰ উপযুক্ত ব্যৱস্থা লোৱাৰ সময় আহি পৰিছে।

নিচামুক্ত অসমৰ স্বপ্ন কঠিন যেন লাগিলেও সম্পূৰ্ণ অসম্ভৱ নহয়। কিন্তু এয়া মাত্ৰ এটা ৰাজনৈতিক শ্ল'গান হ'লে নহ'ব, ই সমাজৰ আত্মশুদ্ধিৰ প্ৰয়াস হ'ব লাগিব। এইক্ষেত্ৰত পিতৃ-মাতৃ আৰু শিক্ষাগুৰুসকলৰ সমান্তৰালভাৱে সমাজৰ প্ৰতিজন নাগৰিক সজাগ হ'ব লাগিব। বিদ্যালয়, মহাবিদ্যালয় আদিত নিচাৰ কু-প্ৰভাৱ সন্দৰ্ভত নিয়মীয়া আলোচনাচক্ৰ, সচেতনতা কাৰ্যসূচী আৰু মানসিক স্বাস্থ্য শিক্ষাৰ ব্যৱস্থা কৰিলে ডাঙৰ পৰিৱৰ্তন সম্ভৱ। নিচাযুক্ত দ্ৰব্যসমূহৰ কু-প্ৰভাৱ তথা ভয়াবহতাৰ বিষয়ে যুৱ-প্ৰজন্মক অৱগত কৰি এইসমূহৰ কবলৰ পৰা মুক্ত কৰি ৰখাত প্ৰতিগৰাকী সচেতন লোকে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিব লাগিব। তেওঁলোকৰ সৈতে নিচাযুক্ত দ্ৰব্যৰ কু-প্ৰভাৱৰ বিষয়ে মুকলিকৈ বাৰ্তালাপ কৰিব লাগে আৰু তেওঁলোকক প্ৰকৃত তথ্য দিব লাগে। যদি তেওঁলোকক নিজৰ ভৰিত থিয় হোৱাৰ বিষয়ে শক্তিশালী অনুভৱ কৰোৱা হয় আৰু ভাল-বেয়াবোৰৰ বিষয়ে ভালদৰে বুজি পোৱা হয়, তেন্তে তেওঁলোক চাপৰ সন্মুখীন হোৱাৰ সম্ভাৱনা কম হ'ব। খেলধূলা, সাংস্কৃতিক ক্ৰিয়াকলাপ, প্ৰশিক্ষণ আদিৰ জৰিয়তে মাদক দ্ৰব্যৰ পৰা আঁতৰি থকা এক বিকল্প পথ দেখুৱাব পাৰি। গৱেষণাৰপৰা জানিব পৰা গৈছে যে মগজুত ড'পামিন নামৰ পদাৰ্থৰ অভাৱৰ বাবে মানুহ নিচাজাতীয় দ্ৰব্যৰ প্ৰতি আসক্ত হৈ পৰে। নিয়মিত যোগাসনে মগজুত ড'পামিন উৎপন্ন কৰে যিয়ে মন নিয়ন্ত্ৰণ কৰে আৰু মনোবল বৃদ্ধি কৰে। এনেদৰে ব্যক্তিজন নিচাৰ পৰা মুক্ত হ'ব পাৰে।

কেৱল চৰকাৰী অভিযান বা আঁচনিৰে যুৱ-প্ৰজন্মক নিচাযুক্ত দ্ৰব্যৰ কৰাল গ্ৰাসৰপৰা উদ্ধাৰ কৰিব পৰা নাযায়। চৰকাৰ, সমাজ, যুৱশক্তি, শিক্ষা প্ৰতিষ্ঠান, সংবাদ মাধ্যম - সকলোৰে সন্মিলিত প্ৰচেষ্টা অতি প্ৰয়োজনীয়। কেতিয়াবা দেখা যায় যে বহু আঁচনি ৰাজনৈতিক প্ৰদৰ্শনতে সীমাবদ্ধ থাকে। সেয়ে নিচামুক্ত ভাৰত অভিযানৰ দৰে আঁচনিৰ সঠিক কাৰ্যকৰীকৰণৰ ওপৰত চৰকাৰ আৰু প্ৰশাসনে গুৰুত্ব আৰোপ কৰিব লাগিব। প্ৰতিখন জিলাৰ স্পৰ্শকাতৰ অঞ্চলসমূহ চিনাক্ত কৰি সেই অঞ্চলসমূহত প্ৰশাসনৰ সহযোগত বিশেষ সজাগতামূলক কাৰ্যসূচী হাতত ল'ব পাৰে। এইক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ নেতৃত্বত চলি থকা মাদক দ্ৰব্য-বিৰোধী অভিযান নিঃসন্দেহে এক ঐতিহাসিক পদক্ষেপ বুলিব পাৰি। ইয়াৰ ফলত মাদকদ্ৰব্য ব্যৱহাৰৰ বিৰুদ্ধে সমাজত এক সজাগতাৰ ধ্বনি উঠিছে। নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে চৰকাৰৰ শূন্য সহনশীলতা নীতিৰ লগতে সহানুভূতি, চিকিৎসা আৰু সামাজিক জাগৰণ একেলগে চলিলে নিচা-মুক্ত অসমৰ স্বপ্ন সফল হ'ব।

অসম চৰকাৰ
পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ
অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান

JANASANYOG- 2043/25/14-Sept-25




# সবল মহিলা সবল সমাজ

উদ্যমিতাৰ দিশত আগুৱাই যাবলৈ
আত্মসহায়ক গোটৰ প্ৰতিগৰাকী অৰ্হতাসম্পন্ন মহিলাক

## ১০,০০০ টকাৰ

## উদ্যমিতা পুঁজি প্ৰদান অনুষ্ঠান




মুখ্যমন্ত্ৰী
মহিলা উদ্যমিতা
অভিযান

## মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ পুঁজি বিতৰণ সূচী

| বিধান সভা সমষ্টি | তাৰিখ (বৰ্ষ - ২০২৫) | মুখ্য অতিথি |
|---|---|---|
| নলবাৰী | ২২ আগষ্ট | ড° হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী, অসম |
| জাগীৰোড | ২৩ আগষ্ট | |
| মাৰ্ঘেৰিটা | ২৪ আগষ্ট | |
| ধুবুৰী | ২৫ আগষ্ট | শ্ৰীৰণজিৎ কুমাৰ দাস মন্ত্ৰী, অসম |
| পাথাৰকান্দি | ১ ছেপ্টেম্বৰ | ড° হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী, অসম |
| হোজাই | ২ ছেপ্টেম্বৰ | |
| জালুকবাৰী (ৰামছাৰাণী আঞ্চলিক পঞ্চায়ত আৰু উত্তৰ গুৱাহাটী পৌৰসভা এলেকাৰ বাবে আংশিকভাৱে) | ৩ ছেপ্টেম্বৰ | |
| লাহৰিঘাট | | শ্ৰীকৌশিক ৰায় মন্ত্ৰী, অসম |

| বিধান সভা সমষ্টি | তাৰিখ (বৰ্ষ - ২০২৫) | মুখ্য অতিথি |
|---|---|---|
| ঢেকিয়াজুলি | ৪ ছেপ্টেম্বৰ | ড° হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী, অসম |
| মানকাচৰ | ৬ ছেপ্টেম্বৰ | শ্ৰীকেশৱ মহন্ত মন্ত্ৰী, অসম |
| গৌৰীপুৰ | ১৬ ছেপ্টেম্বৰ | শ্ৰীৰণজিৎ কুমাৰ দাস মন্ত্ৰী, অসম |
| বিশ্বনাথ | ২৫ ছেপ্টেম্বৰ | ড° হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী, অসম |
| জোনাই | ২৬ ছেপ্টেম্বৰ | |
| তিনিচুকীয়া | ২৭ ছেপ্টেম্বৰ | |
| ৰংখাং | ২৮ ছেপ্টেম্বৰ | |




### উদ্যমিতাৰ ক্ষেত্ৰসমূহ


- কৃষি
- পশুপালন
- বয়নশিল্প
- হস্তশিল্প ইত্যাদি

**ৰাজ্যজুৰি ৩০ লাখ+ মহিলালৈ বীজ মূলধন**

**মুঠ পুঁজি ৩০০০+ কোটি টকা**

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি হোৱাটছএপ কৰক

# “শঙ্কৰে খন্দিলে নামৰে পুখুৰী মাধৱে বন্ধালে আলি আলিৰ দুয়ো পাৰে ৰুলে কদমপুলি ভকতে জিৰাব বুলি”



**নমিতা দাস,শুৱালকুছি শান্তিতোল**

আৰে এহি ভকতিৰ শুনিয়ো সাধন ।
মোতে সমৰ্পিয়া কৰিবেক কৰ্মগন ।।
ভকত প্ৰতিমা মোৰ দুয়ো অধিস্থান ।
দুয়োকো পূজা দৰ্শন কৰিব অতিমান ।।

পৃথিৱীৰ ভিতৰতে ভাৰতবৰ্ষ হৈছে ধৰ্মনিৰপেক্ষ দেশ। অসম প্ৰদেশ আধ্যাত্মিক চিন্তা চৰ্চাৰে বিশ্বাসী। বিভিন্ন দেৱ- দেৱী পুজা অৰ্চনাৰ নামত বলি-বিধানে উচ্চ স্থান দখল কৰাৰ সময়তে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱে এক শৰণ বৈষ্ণৱ ধৰ্ম প্ৰবৰ্তন কৰে।

মহাপুৰুষ গুৰু দুজনাই সিচিঁ যোৱা বৈষ্ণৱ ধৰ্মৰ প্ৰধান কাৰক হৈছে নাম-ধৰ্ম। নামেৰে মানৱ সমাজলৈ জ্ঞানৰ অমৃত ভাণ্ডাৰ প্ৰদান কৰি গৈছে। যাৰ দ্ধাৰা জীৱনৰ প্ৰয়োজনীয় সকলো জ্ঞান তত্ব আহৰণ কৰিবলৈ শিকাই ।

লৌকিক সংসাৰ খনত ব্যস্ত থকাৰ সময়তে আমি আমাৰ পঞ্চইন্দ্ৰিয় জাগ্ৰত হৈ হিংসা, অন্যয়, অসুৱা বাসনাৰ প্ৰতি আকৃষ্ট নহৈ সত্য, শৌচ, দয়া, ক্ষমা কষ্টসহিষ্ণুতা আদি গুনবোৰৰ প্ৰতিও যাতে আকৃষ্ট হৈ জ্ঞান আৰু ভক্তিৰে সংসাৰ ধৰ্ম পালন কৰি যাব পাৰো তাৰ বাবেই ভগবানৰ শ্ৰীচৰণত শৰণ লবলৈ মহাপুৰুষ দুজনাই আমাক বৈষ্ণৱ ধৰ্ম প্ৰববৰ্তন কৰি তাৰ প্ৰতি আকৃষ্ট কৰাৰ উদ্দেশ্যে বৰগীত, ভাওনা, ঘোষা পদসমূহত ভগৱান শ্ৰীকৃষ্ণৰ অপাৰ মহিমা বৰ্ণনা কৰিছে ।

ভক্তি ৰস সমূহ ভক্ত গনৰ মাজত বৰ্ণনা কৰাৰ উদ্দেশ্যে নামঘৰ স্থাপন কৰি তাত পুৱা গধূলী ধূপ-চাকি জ্বলাই পবিত্ৰ মনেৰে পূজা-অৰ্চনা কৰি ভক্তি ৰসেৰেজীৱনৰ কৰ্তব্য পালন কৰিবলৈ যাতে উজু হৈ পৰে তাৰ বাৱে বিভিন্ন উপমা দাঙি ধৰি কৈছে যে পদুম ফুল পানীত ফুলিলেও কেতিয়াও পানী নলগাৰ দৰে। লৌকিক জীৱন অতিবাহিত কৰি আধ্যান্তিকতাৰে মনৰ দৃহতা আহিলে জীৱনৰ লক্ষ্যত উপনীত হৈ আনন্দ লাভ কৰি মানৱ জীৱনৰ পৰিপূৰ্ণতা আনিবলে গুৰু দুজনাই আমাক সৰল পথ দৰ্শাই গৈছে।

ভাই মুখে বোলাৰাম হৃদয়ে ধৰা ৰূপ ।
এতেকে মুকুতি পাইবা কহিয়ো স্বৰূপ।।

দুজনা গুৰুৰ মহান আদৰ্শই অসমীয়া সমাজ জীৱনৰ ভেটি দৃহ কৰি গৈছে। এই বিশ্ব ব্ৰহ্মাণ্ডৰ জীৱ সমুহৰ সৃষ্টি, স্থিতি, লয় প্ৰলয় আদিৰ কাৰক যে পৰমেশ্বৰ এই কথা চিৰসত্য। সেয়ে আমি স্বিকাৰ কৰিবই লাগিব যে প্ৰতিটো জীৱতে ভগবান বিদ্য মান। মাত্ৰ গুন, কৰ্ম ৰূপ আদিহে পৃথক।

কুকুৰ শৃগাল গদৰ্ভৰো আত্মৰাম। ।
জানিয়া সবাকো পৰি কৰিবা প্ৰনাম ।।

সেয়ে অনন্ত কোটিব্ৰহ্মাণ্ডৰ এক শ্ৰীহৰিয়েই অনন্ত কোটি ৰূপে বিৰাজমান। এনে জ্ঞান মূলক শক্তিৰ সাধনাৰেই অসমীয়াৰ জনজীৱন বিৰাজ মান।

# Vrindavani Vastra: The lost heritage of Assam coming home

**Heramba Nath**

***Last Issue***

But such efforts have always encountered obstacles, both logistical and legal.

The British Museum, like many such institutions, operates under strict regulations that prevent permanent repatriation of artefacts, even when their provenance is connected to colonial acquisition. The most that could be negotiated was a temporary loan, and even that required assurance that Assam had the museum infrastructure capable of preserving such a delicate textile. It is precisely here that the latest development assumes importance. For the first time, the British Museum has agreed to lend the Vastra, subject to the establishment of world-class facilities in Assam with appropriate humidity, temperature, and light controls, alongside state-of-the-art security.

The announcement made by Chief Minister Himanta Biswa Sarma marks a watershed moment. In 2027, Assam will finally be able to host this cultural jewel for eighteen months. The responsibility, however, is immense. It requires Assam not only to build facilities that meet international conservation standards but also to train personnel, establish systems, and demonstrate to the world that the state can handle heritage of such delicate magnitude. The British Museum's conditions are not simply bureaucratic hurdles; they are safeguards born of the knowledge that centuries-old silk, painted and woven with organic dyes, can disintegrate with the slightest lapse in environment. To preserve it even for display requires sophisticated technology and constant monitoring. Thus, Assam's preparation for this exhibition will involve more than building a gallery; it will involve building an institution, perhaps the most significant cultural institution the state has yet seen.

This responsibility is also an opportunity. If Assam can establish the necessary infrastructure, it will not only ensure the safe display of the Vrindavani Vastra but also create a permanent platform for future exhibitions of heritage, art, and history. Such an institution could become a hub for cultural tourism, drawing visitors from across India and abroad to see not only the Vastra but also the richness of Assamese traditions. Handloom, classical dance, satra culture, manuscripts, and artefacts long hidden in archives could find dignified display here. In preparing to receive the Vastra, Assam prepares to rediscover itself.



The arrival of the Vastra will be more than a museum event. For the Assamese people, particularly the followers of Sankardeva, it will be a deeply emotional and spiritual homecoming. To stand before the textile woven under his direction is to stand before a tangible fragment of his vision. For centuries, Sankardeva has lived through his writings, his dramas, his philosophical treatises, and the living practice of Neo-Vaishnavite institutions. But the Vastra provides a rare material link, an object that he himself oversaw, touched, and envisioned. It is, in many ways, the closest one can come to encountering his presence through material heritage. For scholars of Assamese literature and religion, for devotees in satras, for ordinary people nurtured by his bhakti tradition, the sight of the Vastra in Assam will be an unforgettable spiritual event.

But beyond this regional pride lies a larger story about cultural dispersal and colonial heritage.

***Next Issue***

# ধুবুৰীৰৰ ঘটনাক লৈ গোলকগঞ্জৰ

পাছতে ৰাজ্য চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ঘটনাৰ পাছতে গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দেৱজিৎ কলিতাক নিলম্বন কৰি ৰিজাৰ্ভ ক্লজ কৰা হৈছে। ইয়াৰ সমান্তৰালভাৱে গৌৰীপুৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া চিৰঞ্জীৱ লাহনক ৰিজাৰ্ভ ক্লজ কৰা হৈছে। তদুপৰি সমগ্ৰ ঘটনা সন্দৰ্ভত ডিআইজিক তদন্ত কৰিবলৈও নিৰ্দেশ প্ৰদান কৰিছে। ৫ দিনৰ ভিতৰত ডিআইজিয়ে অসম চৰকাৰক তদন্ত প্ৰতিবেদন দাখিল কৰিব। সমগ্ৰ ঘটনাৰ বিভিন্ন দিশ চালিজাৰি চোৱাৰ লগতে ধুবুৰীৰ আৰক্ষী অধীক্ষক লীনা দলে আৰু দুই উপ-আৰক্ষী অধীক্ষক ক্ৰমে সীমান্ত বৈশ্য আৰু অন্বৰীশ শৰ্মাকো তদন্তৰ আওতাত সামৰি লোৱা হ'ব। সংঘটিত ঘটনাৰ পাছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে ধুবুৰীত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা উপস্থিত হয়। তেওঁ মাজনিশা ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ থকা আহত প্ৰতিবাদকাৰীসকলক সাক্ষাৎ কৰি স্বাস্থ্যৰ বুজ লয়। তেওঁ চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আক্ৰাছু নেতৃত্বৰ সৈতে মিলিত হয়। বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ সন্মুখত মন্ত্ৰী বৰুৱাই কয় যে বুধবাৰে সন্ধিয়া সময়ত হোৱা প্ৰতিবাদত যিটো ঘটনা সংঘটিত হ'ল সেয়া সঁচাকৈয়ে দুৰ্ভাগ্যজনক। এই ঘটনাটো গম পোৱাৰ লগে লগে মুখ্যমন্ত্ৰীগৰাকীয়ে মোক ইয়ালৈ আহিবলৈ নিৰ্দেশ দিছে। সেইমৰ্মে মই নিশাৰ ভাগতে ইয়ালৈ আহিছোঁ। মাজনিশা ইয়াত আহি পোৱাৰ পাছত যিসকল লোক আহত হৈছে তেওঁলোকৰ খবৰ ল'লোঁ। গোটেইখিনি খবৰ লোৱাৰ পাছত দেখিলোঁ যে খুব চিন্তা কৰিবলগীয়া নাই। আহতসকলক যিসমূহ চিকিৎসা কৰিব লাগিব তাৰ দায়িত্ব চৰকাৰে বহন কৰিব। ইয়াৰ লগে লগে আক্ৰাছুৰ কৰ্মকৰ্তাসকলৰ লগতো বিভিন্ন আলোচনা কৰিম। এটা ভুল বুজাবুজি হৈ ঘটনাটো হ'ল। যিটো ঘটনা আমাৰ সকলোৰে বাবে দুখজনক। আমি এনেকুৱা ঘটনা হোৱাটো নিবিচাৰোঁ। মুখ্যমন্ত্ৰীগৰাকীয়ে ঘটনাটো হোৱাৰ লগে লগে তাত থকা আৰক্ষী বিষয়াক ৰিজাৰ্ভ ক্লজ কৰাৰ লগতে নিলম্বন কৰা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে লগতে কয়- আমি সমগ্ৰ পৰিস্থিতি বুজি চালোঁ। আমি দেখিছোঁ গৌৰীপুৰৰ আৰক্ষী বিষয়াগৰাকীও এই ঘটনাৰ লগত কিছু পৰিমাণে সাঙোৰ খাই আছে। তেওঁক তাৎক্ষণিকভাৱে ৰিজাৰ্ভ ক্লজ কৰাৰ নিৰ্দেশনা দিয়া হৈছে। তিনিগৰাকী বিষয়াৰ ওপৰত আক্ৰাছুৱে অভিযোগ আনিছে। জিলাৰ আৰক্ষী অধীক্ষক আৰু সেই স্থানত উপস্থিত থকা উপ-আৰক্ষী অধীক্ষকৰ ওপৰত অভিযোগ উঠিছে। অভিযোগৰ ওপৰত মই ডিআইজি তদন্ত কৰিবলৈ দিছোঁ। তেওঁ ৫ দিনৰ ভিতৰত এখন তদন্ত প্ৰতিবেদন দিব। এই তিনিজন বিষয়া কিধৰণে জড়িত হৈ আছে বা ভুল বুজাবুজিত তেওঁলোকৰ ভূমিকা কি ইয়াৰ ওপৰত তদন্ত কৰি ৫ দিনৰ ভিতৰত প্ৰতিবেদন দিব। গৌৰীপুৰৰ আৰক্ষী বিষয়াক ৰিজাৰ্ভ ক্লজ কৰি নিলম্বন কৰা হৈছে। আনহাতে সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্কৰ মাজেৰে ভৱিষ্যতৰ কৰ্মপন্থা আগুৱাই লৈ যোৱা হ'ব বুলি মন্ত্ৰী বৰুৱাই কয় যে তেওঁলোকৰ যিসমূহ ন্যায্য দাবী সেইসমূহৰ প্ৰতি অসম চৰকাৰে, বিশেষকৈ মুখ্যমন্ত্ৰীগৰাকীয়ে বিভিন্ন সময়ত আলোচনাৰ মাধ্যমেৰে আগবঢ়াই লৈ গৈছে। উল্লেখ্য যে বুধবাৰে আক্ৰাছুৰ উদ্যোগত আৰু ধুবুৰী পশ্চিম জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত বিশাল প্ৰতিবাদী জোঁৰ সমদল উলিওৱা হৈছে। গোলকগঞ্জ চহৰ অভিমুখে উলিওৱা জোঁৰ সমদলটো আগবাঢ়ি যোৱাৰ সময়তে চিলাৰায় মহাবিদ্যালয়ৰ মূল প্ৰৱেশদ্বাৰত আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে প্ৰতিবাদকাৰীসকলৰ পৰা জোঁৰসমূহ কাঢ়ি লৈ পানীত পেলাই দিয়ে। ইয়াৰ পাছতে বিশাল আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে প্ৰতিবাদকাৰীসকলক আগবাঢ়ি যোৱাত বাধা প্ৰদান কৰে। যাৰ বাবে প্ৰতিবাদকাৰীসকলে গোলকগঞ্জৰ মূল পথত বহি বিক্ষোভ প্ৰদৰ্শন কৰে। সেই সময়তে আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে প্ৰতিবাদকাৰীসকলৰ ওপৰত লাঠীচালনা কৰিবলৈ আৰম্ভ কৰে। এই লাঠীচালনাৰ সময়তে মহিলাকে ধৰি কুৰিৰো অধিক প্ৰতিবাদকাৰী আহত হয়। আক্ৰাছুৰ সভাপতি মনোজ ৰায় আৰু সম্পাদক বলোৰাম ৰায়ো আৰক্ষীৰ প্ৰহাৰত আহত হয়। আহতসকলক গোলকগঞ্জ প্ৰাথমিক চিকিৎসালয়ত চিকিৎসা প্ৰদান কৰা হয় যদিও পৰৱৰ্তী সময়ত গুৰুতৰভাৱে আহত লোকসকলক ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। আনহাতে প্ৰতিবাদকাৰীসকলক প্ৰহাৰ কৰাৰ লগতে একাংশ আৰক্ষীয়ে আটক কৰিবলৈ চেষ্টা কৰাৰো অভিযোগ উত্থাপন হৈছে। অৱশ্যে সংগঠনটোৰ নেতৃবৃন্দই ইয়াৰ তীব্ৰ বিৰোধিতা কৰে। ঘটনাৰ পিছত নিশা সেই স্থানত আৰক্ষী অধীক্ষক লীনা দলে উপস্থিত হয় যদিও প্ৰতিবাদকাৰীসকলে তেওঁৰ বাহন আগচি ধৰি 'লীনা দলে গ' বেক' ধ্বনি দিয়ে। জিলা আৰক্ষী অধীক্ষকগৰাকীৰ উপৰি জিলা আয়ুক্ত দিবাকৰ নাথেও ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লৈছে।

# গৌৰৰ গগৈৰ বিৰুদ্ধে এছআইটিৰ

কয়- যিজন ব্যক্তিৰ সন্তান বিদেশী, পত্নী বিদেশী সেইজন ব্যক্তিয়ে যিধৰণে নাচিলে, দেখি অদ্ভুত লগা নাই জানো? আজি মই যদি কংগ্ৰেছত থাকিলোঁহেতেন ধাক্কা দি ষ্টেজৰ পৰা নমাই দিলোঁহেঁতেন। মহাত্মা গান্ধীয়ে দেশ স্বাধীন কৰা ভাৰতৰ কংগ্ৰেছৰ এগৰাকী সভাপতিৰ ঘৰৰ পৰিয়ালৰ তিনিজন লোকেই বিদেশী। তেওঁ নাচি-বাগি কি দেখুৱাব খুজিছে, অসমৰ মানুহ বুৰ্বক নেকি? তেনেহ'লে আমাকো ব্ৰিটিছৰ পাছপ'ৰ্ট বনাই দিয়ক। যদি ব্ৰিটিছৰে পাছপ'ৰ্ট থাকিব লাগে, তেন্তে চাহ বাগিচাৰ ল'ৰাজনকো পাছপ'ৰ্ট বনাই দিয়ক, বড়ো-ৰাভাজনকো ব্ৰিটিছ বনাই দিয়ক। এইবোৰ ফটুৱামি নহয় জানো? মুখ্যমন্ত্ৰী ড°শৰ্মাই ইয়াকো কয়- অসমৰ একাংশ সংবাদ মাধ্যমৰ বাবে গৌৰৰ গগৈৰ পাকিস্তান ভ্ৰমণৰ বিষয়টো গুৰুত্বপূৰ্ণ নহ'ব পাৰে। কিন্তু আমাৰ বাবে ই গুৰুত্বপূৰ্ণ। গৌৰৰ গগৈয়ে পাকিস্তান যোৱা বুলি কোৱাৰ পিছতো কোনেওতো প্ৰশ্ন কৰা নাই যে পাকিস্তানত তেওঁ ১৫ দিন কি কৰি আছিল? আজি যদি হিমন্ত বিশ্ব শৰ্মাৰ ঘৰত তিনিজন বিদেশী থাকিলহেঁতেন, তাক এটম বম, পৰমাণু বম সকলো বনাই দিলেহেঁতেন। গতিকে কোনোবা সংবাদ মাধ্যমে বিষয়টোত গুৰুত্ব নিদিব পাৰে, আমাৰ বাবে ই গুৰুত্বপূৰ্ণ আৰু ইয়াৰ বিৰুদ্ধে আইনগত-ৰাজনৈতিক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ৰাইজে নিজে সিদ্ধান্ত ল'ব যে এইজন লোক নেতা হ'ব পাৰে নেকি? ইফালে এছআইটিৰ প্ৰতিবেদন সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই সামাজিক মাধ্যমত লিখিছে- এখন ৯৬ পৃষ্ঠাজোৰা দস্তাবেজ-সীমিত সমলেৰে প্ৰস্তুত কৰা যদিও এই প্ৰতিবেদনখনে বহু তথ্য উন্মোচন কৰিছে। প্ৰতিবেদনখনৰ কেইটামান বিশেষ বাক্যই মনটো গধুৰ কৰি তুলিলে আৰু ভাবিবলৈ বাধ্য কৰালে যে ইমান সহজে মানুহে শিপা পাহৰি কেৱল নিজৰ অভিপ্ৰায় সিদ্ধিৰ বাবে উত্তৰ প্ৰজন্মৰ ভৱিষ্যতকো বিনিময় কৰিবলৈ কুণ্ঠাবোধ নকৰে। আমাৰ দুখ এগৰাকী পিতৃৰ পতনৰ বাবে নহয়, দুটি নিষ্পাপ সন্তানৰ ভৱিষ্যতৰ কণ্ঠ মূক কৰি তোলাক লৈহে। সেই দুটি সন্তানৰ পৰা কি কাঢ়ি নিয়া হৈছে, তাক উপলব্ধি কৰিবলৈও তেওঁলোকৰ বয়স কম। মোৰ প্ৰাৰ্থনা তেওঁলোকৰ সৈতে সদায় থাকিব।

# কেবিনেটত আলোচনাৰ

সৰহসংখ্যকেই সন্দেহযুক্ত নাগৰিক। শেহতীয়াকৈ হৈ যোৱা কংগ্ৰেছৰ মিটিঙত সন্দেহযুক্ত নাগৰিকসকলে ভাগ লৈছে। ৭০ শতাংশ কংগ্ৰেছী সদস্যই সন্দেহযুক্ত নাগৰিক। ইফালে, প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰীৰ সকলো পৰিকল্পনা ফ্লপ বুলি উল্লেখ কৰি ইয়াৰ পূৰ্বে ৰাহুল গান্ধীৰ বডী ডাবলৰ প্ৰসংগতো তেওঁ ফ্লপ হৈছিল বুলি কৰা মন্তব্যত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- মই বডী ডাবলৰ নাম, ফটো ৰাজহুৱাভাৱে প্ৰকাশ কৰিছোঁ। যিজন লোকে অসমত ৰাহুল গান্ধীৰ বডী ডাবল হিচাপে আহিছিল, তেওঁৰ নাম-ঠিকনা-ফটো সকলোবোৰ সংবাদ মেল পাতি ৰাজহুৱা কৰিছোঁ। আমি প্ৰমাণ কৰি দিছিলোঁ কিদৰে ৰাহুল গান্ধীয়ে বডী ডাবলৰ জৰিয়তে অসমৰ লোকসকলক প্ৰতাৰণা কৰিছিল। কিদৰে গাড়ীৰ পৰা হাত জোকাৰিছিল বডী ডাবলে।

# দেশৰ পঞ্চদশ

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, এছ জয়শংকৰ, ধৰ্মেন্দ্ৰ প্ৰধান, ৰাজনাথ সিঙকে ধৰি বিভিন্ন ৰাজনৈতিক নেতাৰ উপস্থিতিত এনডিএৰ প্ৰাৰ্থী হিচাপে বিপুল ভোটৰ ব্যৱধানত জয়লাভ কৰা ৰাধাকৃষ্ণনে আনুষ্ঠানিকভাৱে উপ-ৰাষ্ট্ৰপতিৰ শপত গ্ৰহণ কৰে। উল্লেখ্য যে যোৱা ৯ ছেপ্টেম্বৰত অনুষ্ঠিত হোৱা উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনত এনডিএৰ প্ৰাৰ্থী চি পি ৰাধাকৃষ্ণনে ৪৫২টা ভোট লাভ কৰি বিৰোধী প্ৰাৰ্থী বি সুদৰ্শন ৰেড্ডীক পৰাজিত কৰি দেশৰ পঞ্চদশ উপ-ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হয়।

# মেঘালয়ৰ প্ৰাক্তন

তেওঁ স্কুলৰ ছাত্ৰ-ইন্সপেক্ট হৈছিল আৰু ১৯৭২ চনত স্বতন্ত্ৰ প্ৰাৰ্থী হিচাপে ৰাজনীতিত প্ৰৱেশ কৰিছিল। তাৰ পিছত তেওঁ ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ (আইএনচি)ত যোগদান কৰি নংপো সমষ্টিক প্ৰতিনিধিত্ব কৰিছিল। লাপাং ১৯৯২ চনৰ পৰা ২০১০ চনলৈকে চাৰিবাৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁক শাসনকালত ৰাজ্যৰ বিকাশ আৰু ৰাজনৈতিক স্থিৰতা আনিবলৈ কৰা প্ৰচেষ্টাই চিহ্নিত আছিল। ২০১৮ চনত কংগ্ৰেছৰ পৰা পদত্যাগ কৰি প্ৰৌঢ় নেতাসকলক উপেক্ষা কৰাৰ অভিযোগ দি তেওঁ নেশনেল পিপলছ পাৰ্টি (এনপিপি)ত যোগদান কৰিছিল। বয়স্ক বয়সতো তেওঁ ৰাজহুৱা জীৱনত যুক্ত আছিল আৰু ২০২৪ চনৰ অক্টোবৰত ৯০ বছৰ বয়সত মেঘালয় চৰকাৰৰ পৰামৰ্শদাতা পদৰ পৰ পদত্যাগ কৰিছিল। তেওঁৰ মৃত্যুৱে মেঘালয়ৰ ৰাজনৈতিক ইতিহাসত এটা যুগৰ অৱসান ঘটালে।

# ডিব্ৰুগড়ত অজাপৰ

বাংলাদেশীয়ে টালি টোপোলা বান্ধি নিজ দেশলৈ উভতিব লাগিব বুলি কোৱাত ৰৰ বছৰ পিছতো কাৰ্যকৰী নহ'ল, ইয়াৰ উপৰিও অসম চুক্তিৰ ৬ নং দফাৰে ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন কাৰ্যকৰী নোহোৱাকলৈ প্ৰশ্ন উত্থাপিত কৰিছে গগৈয়ে। প্ৰধানমন্ত্ৰীয়ে চাহ শ্ৰমিকৰ মজুৰি দৈনিক ৩৫১.৩৩ টকালৈ বৃদ্ধি কৰাৰো প্ৰতিশ্ৰুতি দিছিল যদিও আজি পৰ্যন্ত কাৰ্যকৰী কিয় নকৰিলে বুলি প্ৰশ্ন উত্থাপিত কৰে লুৰিণজ্যোতি গগৈয়ে। ইয়াৰ উপৰিও চৰকাৰে বিশ্ব ৰেকৰ্ড কৰিম বুলি ঝুমুইৰ বিনন্দিনী অনুষ্ঠিত কৰি বিশ্ব ৰেকৰ্ডৰ পৰা বঞ্চিত কৰাৰ লগতে অসমৰ ৮৮৮৮ গৰাকী ঝুমুইৰ নৃত্য শিল্পী আৰু ৰাজ্যৰ লাখ লাখ আদিবাসী আৰু চাহ জনগোষ্ঠী লোকক চৰম প্ৰতাৰণা কৰাৰ অভিযোগ উত্থাপিত কৰে গগৈয়ে। সংবাদ মেলত উপস্থিত থাকে- অসম জাতীয় পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি বীৰেণ বৰুৱা, আৰু মইনা পাত্ৰকে ধৰি দলৰ কৰ্মকৰ্তা সকল।

# নেপালত উত্তপ্ত

আছে একাংশ নাবালক কয়দী। এইসকলক সংশোধনী কেন্দ্ৰত ৰখা হৈছিল। কাৰাগাৰৰ পৰা পলোৱাৰ চেষ্টা কৰাৰ সময়ত সেনাৰ গুলীত ইতিমধ্যে পাঁচজন লোকৰ মৃত্যু হোৱাৰ লগতে ৭জন আহত হৈছে। এইসকলৰ ভিতৰত নাবালক কয়দী আছে। জেন জেড প্ৰতিবাদে নেপালত কেৱল চৰকাৰকে পতন ঘটোৱা নাই, দেশখনত হিংসাত্মক পৰিস্থিতিয়ে ক্ৰমাৎ তীব্ৰতৰ ৰূপ ধাৰণ কৰিছে। সন্ধিয়া পাঁচ বজাৰ পৰা দেশখনত সান্ধ্য আইন বলবৎ কৰা হৈছে। নেপালৰ কে পি অলি শৰ্মা চৰকাৰৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰাৰ সময়তে দেশখনত ফেচবুক, ইউটিউবকে ধৰি ২৬ প্ৰকাৰৰ ছ'চিয়েল মিডিয়া নিষিদ্ধ কৰিছিল। ইয়াৰ পিছতে যুৱপ্ৰজন্মৰ নেতৃত্বত চৰকাৰৰ দুৰ্নীতি আৰু ছ'চিয়েল মিডিয়া বন্ধৰ বিৰুদ্ধে ৰাজপথলৈ ওলাই আহে শ শ জনতা। জনতাৰ ক্ষোভৰ সন্মুখত অলিয়ে পদত্যাগ কৰিবলৈ বাধ্য হয়।

# ভিডিঅ' কনফাৰেঞ্চযোগে 'সেৱা সপ্তাহ'

জৰিয়তে 'সেৱা সপ্তাহ'ৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। ইয়াৰ অধীনত সমগ্ৰ অসমতে ৭৫টা মেগা ৰক্তদান শিবিৰৰ আয়োজন কৰা হ'ব। ৰাজ্যৰ প্ৰতিখন জিলাৰে মেডিকেল কলেজ, হাস্পতালসমূহত থকা ব্লাড বেংকসমূহৰ লগতে এনে সুবিধা উপলব্ধ নোহোৱা অঞ্চলসমূহত ভ্ৰাম্যমাণ ৰক্তদান বাহনৰ জৰিয়তে এই কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। এই ৰক্তদান শিবিৰসমূহৰ জৰিয়তে যাতে ৰাজ্যৰ ৰক্ত ভাণ্ডাৰসমূহত যথেষ্ট পৰিমাণৰ ৰক্ত সংগ্ৰহ হয়, সেয়া সুনিশ্চিত কৰাৰ বাবে এই কাৰ্যসূচীত স্থানীয় যুৱক-যুৱতী, সুৰক্ষা বাহিনীৰ জোৱান, সংবাদ মাধ্যম আদিক জড়িত কৰিবলৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই স্বাস্থ্য বিভাগ আৰু অসম ৰাজ্যিক ৰক্ত সংৰচন পৰিষদৰ বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে। সেৱা সপ্তাহৰ অংশ হিচাপে অহা ১৮ ছেপ্টেম্বৰৰ পৰা ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিতে মূলতঃ শিশু আৰু কিশোৰসকলৰ বাবে একোটাকৈ বৃহৎ স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হ'ব। ১৮ ছেপ্টেম্বৰত ৰবটা স্বাস্থ্য শিবিৰৰ আয়োজনেৰে এই কাৰ্যসূচীৰ শুভাৰম্ভকৰা হ'ব। ৩১ অক্টোবৰলৈকে অব্যাহত থাকিবলগীয়া এই পদক্ষেপে পৰ্যায়ক্ৰমে ৰাজ্যৰ সকলো বিধানসভা সমষ্টিকে সামৰি ল'ব। এই স্বাস্থ্য শিবিৰসমূহত ১৮ বছৰ বয়সৰ তলৰ শিশু আৰু কিশোৰ-কিশোৰীসকলক বিশেষ গুৰুত্ব প্ৰদানেৰে বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা তেওঁলোকৰ হৃদযন্ত্ৰ, স্নায়ু, বংশানুক্ৰমিক ৰোগ, যকৃত, বৃক্ক , চকু আৰু নাক-কাণৰ ৰোগকে ধৰি ৫০ বিধৰো অধিক ৰোগৰ নিৰ্ণায়ক পৰীক্ষাৰ সুবিধা আগবঢ়োৱা হ'ব। পৰীক্ষাত কোনো ৰোগ ধৰা পৰিলে পৰৱৰ্তী পৰ্যায়ত যথোপযুক্ত চিকিৎসা প্ৰদান আৰু বিনামূলীয়া পুনৰীক্ষণৰ ব্যৱস্থা কৰাৰ লগতে ৰোগ অনুসৰি পৰ্যায়ক্ৰমে উন্নত তথা বিনামূলীয়া চিকিৎসা প্ৰদানৰ বাবে বিশেষ সা-সুবিধা থকা চিকিৎসালয়লৈ প্ৰেৰণ কৰা হ'ব। ১৯ ছেপ্টেম্বৰত ৰাজ্যৰ পৰিৱেশ আৰু বন বিভাগ তথা শিক্ষা বিভাগৰ জৰিয়তে ৰাজ্যৰ বিদ্যালয়সমূহত এক বৃহৎ বৃক্ষৰোপণ অভিযান হাতত লোৱা হ'ব। ইয়াৰ অধীনত ৰাজ্যৰ বহু হাজাৰ বিদ্যালয়ত ১৫ লাখৰো অধিক গছপুলি ৰোপণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৰাজ্যৰ বিভিন্ন স্থানত থকা ২৪৮টা গছপুলি বিতৰণ কেন্দ্ৰৰ জৰিয়তে এই কাৰ্যসূচীৰ বাবে গছপুলিসমূহ বিতৰণ কৰা হ'ব। অহা ২১ ছেপ্টেম্বৰত অসমৰ ১, ০০০ গৰাকী যুৱ সাহিত্যিকক তেওঁলোকৰ কৃতিত্ব আৰু সাহিত্যৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ বাবে ৰাজ্য চৰকাৰে আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জ্ঞাপন কৰিব। ২২ ছেপ্টেম্বৰত ৰাজ্যজুৰি প্ৰায় ৭, ৫০০ গৰাকী নিক্ষয় মিত্ৰই নিজ নিজ অঞ্চলৰ যক্ষ্মা ৰোগীসকলক পুষ্টিকৰ খাদ্যৰ টোপোলা বিতৰণ কৰিব। নিক্ষয় মিত্ৰসকলৰ এই পদক্ষেপে ৰোগীসকলক কেৱল পুষ্টিগত সকাহ প্ৰদান কৰাই নহয়, তেওঁলোকক আৱেগিক আৰু মানসিকভাৱেও সবল হোৱাৰ দিশত অনুপ্ৰাণিত কৰিব। সেৱা সপ্তাহৰ অংশ হিচাপে অহা ২৩ ছেপ্টেম্বৰত ৰাজহ বিভাগে ৰাজ্যৰ মুঠ ২৪, ৬৮৮টা চৰকাৰী আৰু বেচৰকাৰী প্ৰতিষ্ঠানৰ মাজত ভূমি আবণ্টনৰ প্ৰমাণ-পত্ৰ, বিশেষ ম্যাদী পট্টা আৰু ভূমি আবণ্টন, নিষ্পত্তি তথা হস্তান্তৰৰ প্ৰস্তাৱ-পত্ৰ বিতৰণ কৰিব। এই পদক্ষেপৰ অধীনত সেইদিনা ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ অধীনৰ ১৩, ৬৩৭টা স্থান, ৰাজ্য চৰকাৰৰ অধীনস্থ সংস্থাৰ ৮৩টা স্থান, কেন্দ্ৰীয় চৰকাৰ আৰু ইয়াৰ অধীনস্থ সংস্থাৰ ৮৮টা স্থানৰ লগতে বিভিন্ন ধৰ্মীয়, শৈক্ষিক তথা সাংস্কৃতিক-সামাজিক সংস্থাৰ দখলত থকা ১০, ৮৮০টা স্থানৰ বাবে ভূমি আবণ্টন, নিষ্পত্তি তথা হস্তান্তৰৰ এই পত্ৰসমূহ আনুষ্ঠানিকভাৱে বিতৰণ কৰা হ'ব। এই ভিডিঅ' কনফাৰেঞ্চযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই অহা ২৫ ছেপ্টেম্বৰত অনুষ্ঠিত হ'বলগীয়া অৰুণোদয়-৩.০ৰ অধীনত হিতাধিকাৰীৰ প্ৰমাণ-পত্ৰ বিতৰণৰ বৃহৎ কাৰ্যসূচীৰ প্ৰস্তুতিৰো পৰ্যালোচনা কৰে। এই কাৰ্যসূচীৰ কেন্দ্ৰীয় অনুষ্ঠান খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হোৱাৰ লগতে ৰাজ্যৰ প্ৰায় ২৫, ০০০টা স্থানত স্থানীয় পৰ্যায়ৰ প্ৰমাণ-পত্ৰ বিতৰণ অনুষ্ঠান অনুষ্ঠিত হ'ব, য'ত কেন্দ্ৰীয় অনুষ্ঠানৰ কাৰ্যসূচীৰো পোনপটীয়া সম্প্ৰচাৰ কৰা হ'ব। ৰাজ্যৰ প্ৰায় ৩৮ লাখ মহিলা হিতাধিকাৰীক অৰুণোদয়-৩.০ৰ অধীনত সামৰি লোৱা হ'ব। সেইদিনাৰ অনুষ্ঠানতে হিতাধিকাৰীসকলৰ পৰা ৰন্ধন গেছ ক্ৰয়ৰ বাবদ লাভ কৰিবলগীয়া ৰাজসাহায্যৰ বাবে বিতৰণ কৰা প্ৰ-পত্ৰসমূহো সংগ্ৰহৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই ভিডিঅ' কনফাৰেঞ্চৰ সময়ত লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ সৈতে পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, ৰাজহ মন্ত্ৰী কেশৱ মহন্ত, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, পৰিবহণ মন্ত্ৰী যোগেন মোহন, শক্তিমন্ত্ৰী প্ৰশান্ত ফুকন আৰু বিধায়ক বলীন চেতিয়া উপস্থিত থকাৰ বিপৰীতে অন্যান্য মন্ত্ৰী-বিধায়কসকলে ভাৰ্চুৱেলভাৱে অংশগ্ৰহণ কৰে। ভিডিঅ' কনফাৰেঞ্চৰ সময়ত ৰাজ্যৰ মুখ্য সচিব আৰু মুখ্যমন্ত্ৰীৰ প্ৰধান সচিবৰ লগতে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, বন আৰু পৰিৱেশ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণা শিক্ষা, বিত্ত, সাংস্কৃতিক পৰিক্ৰমা, তথ্য আৰু জনসংযোগকে ধৰি বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলো উপস্থিত থাকে।

# বিটিচি নিৰ্বাচনৰ সংকল্প পত্ৰ মুকলি

এককভাৱে প্ৰতিদ্বন্দ্বিতাত নামিছে। সংকল্প পত্ৰ উন্মোচন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰথমবাৰৰ বাবে বিজেপিয়ে বিটিআৰত চৰকাৰ গঠনৰ উদ্দেশ্যে নিৰ্বাচনত অৱতীৰ্ণ হৈছে। নিৰ্বাচনী প্ৰচাৰত বিজেপিয়ে ৰাইজৰ অকুণ্ঠ সহায়-সহযোগিতা লাভ কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- বিজেপিৰ প্ৰতিখন নিৰ্বাচনী সভাতে ৰাইজৰ যোগদানে স্পষ্ট কৰি তুলিছে যে এইবাৰ বিটিআৰত বিজেপি চৰকাৰ গঠন হোৱাটো নিশ্চিত। বিগত নিৰ্বাচনসমূহৰ তুলনাত এইবাৰ নিৰ্বাচনত বিজেপিয়ে যে শক্তিশালী ভূমিকা গ্ৰহণ কৰিব সেয়াও ইতিমধ্যে সুনিশ্চিত হৈছে। মুখ্যমন্ত্ৰীয়ে বিটিআৰক ২৬টা জনগোষ্ঠীৰ সন্মিলিত আশা-আকাংক্ষাৰ প্ৰতীক আৰু বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ স্বপ্নক বাস্তৱত ৰূপায়িত কৰাৰ বাবে ৰাইজে গঠন কৰা এক স্বায়ত্তশাসিত, ৰাজনৈতিক আৰু প্ৰশাসনিক অঞ্চল বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়-বিটিআৰত প্ৰতিটো জনগোষ্ঠীৰ মাজত থকা সমন্বয় অতি দৃঢ়তাৰে ধৰি ৰাখিব লাগিব আৰু ২৬টা জনগোষ্ঠীৰ কলা-সংস্কৃতিক শ্ৰদ্ধা সহকাৰে জগতসভালৈ লৈ যাব লাগিব। বিটিআৰৰ ভিতৰত থকা কেইবাটাও প্ৰশাসনিক সমস্যা সমাধান কৰিব লাগিব। বিটিআৰখনক সকলো জনগোষ্ঠীয়ে যাতে নিজৰ বুলি আঁকোৱালি ল'ব পাৰে তাৰ বাবে বিজেপিয়ে নিৰ্বাচনী ঘোষণাপত্ৰত স্পষ্টভাৱে সম অধিকাৰ আৰু সুশাসনৰ জৰিয়তে ভৱিষ্যতৰ বিটিআৰৰ বিকাশ সুনিশ্চিত কৰাৰ কথা উল্লেখ কৰিছে। ৰাজ্য চৰকাৰৰ সকলোবোৰ আঁচনি বিটিআৰত ৰূপায়ণ কৰা হ'ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয়- বিটিআৰৰ ৫ লাখ মহিলাক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰা হ'ব, ৫ লাখ মহিলাক মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিত অন্তৰ্ভুক্ত কৰা হ'ব, বিটিআৰৰ প্ৰতিগৰাকী ছাত্ৰীক নিযুত মইনা আঁচনিৰ সুবিধা দিয়া হ'ব, বিটিআৰৰ প্ৰতিটো মহকুমাতে একোখনকৈ বিদ্যালয় স্থাপন কৰা হ'ব, ওদালগুৰিত বড়োলেণ্ড বিশ্ববিদ্যালয় চৌহদ স্থাপন কৰা হ'ব আৰু তামুলপুৰ মেডিকেল কলেজ সোনকালে মুকলি কৰা হ'ব। বিটিআৰৰ চাৰিওফালে উন্নয়ন আৰু বিকাশৰ নতুন দিগন্ত সূচনা কৰা হ'ব। উল্লেখ্য যে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ পৰামৰ্শমৰ্মে মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ নেতৃত্বত সংকল্প প্ৰস্তাৱখন প্ৰস্তুত কৰা হৈছে। এই সংকল্প পত্ৰত ৫ বছৰৰ ভিতৰত নতুন বিটিআৰ নিৰ্মাণৰ সংকল্পৰ কথা আছে। এই অনুষ্ঠানত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিবেদী, সংকল্প পত্ৰ প্ৰস্তুত সমিতিৰ অধ্যক্ষ তথা মন্ত্ৰী ডাঃ ৰণোজ পেগু, ওদালগুৰি জিলা সভাপতি সুনীল বসুমতাৰীৰ লগতে দলৰ কেইবাজনো জ্যেষ্ঠ কাৰ্যকৰ্তা উপস্থিত থাকে।

# মণিপুৰৰ চুৰাচান্দপুৰত

বিকাশৰ যাত্ৰাক আগবঢ়াই নিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে বহুতো আঁচনি গ্ৰহণ কৰাৰ প্ৰসংগ উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে ৰাজ্যখনৰ হিংসাক লৈও তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। আধাৰশিলা স্থাপন কৰাৰ পাছত বিশাল ৰাজহুৱা সমাৰেশ সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়- মণিপুৰ ভাৰতৰ প্ৰগতিৰ গুৰুত্বপূৰ্ণ স্তম্ভ। মণিপুৰৰ ভূমি সাহস, বীৰত্ব আৰু সিদ্ধান্তৰ ভূমি। পাহাৰেৰে প্ৰকৃতিৰ অমূল্য উপহাৰ লাভ কৰা মণিপুৰ হৈছে কঠোৰ শ্ৰমৰ প্ৰতীক। মণিপুৰবাসীৰ উদ্যমক ছেল্যুট। প্ৰবল বৰষুণক নেওচিও বিশাল জনসমাবেশলৈ আহিছে। আপোনালোকৰ এই ভালপোৱাৰ বাবে মই ধন্যবাদ জনাইছোঁ। বৰষুণৰ বাবে হেলিকপ্টাৰেৰে মই আহিব নোৱাৰিলোঁ। গতিকে পথেৰে অহাৰ সিদ্ধান্ত ল'লোঁ। যিয়ে মোক পথৰ দৃশ্য প্ৰত্যক্ষ কৰাত সহায় কৰিলে, তাৰ বাবে ভগৱানক ধন্যবাদ জনাইছোঁ। যুৱৰ পৰা বয়োজ্যেষ্ঠলৈকে হাতত ত্ৰিৰংগা লৈ থকা দেখিছোঁ। এই দৃশ্য মই কেতিয়াও পাহৰিব নোৱাৰিম। তদুপৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়-কেন্দ্ৰীয় চৰকাৰে মণিপুৰৰ বিকাশৰ যাত্ৰা আগবঢ়াই নিবলৈ অহোপুৰুষাৰ্থ কৰি আছে। এই উদ্যমেৰেই মই আজি আপোনালোকৰ মাজলৈ আহিছোঁ। কিছু সময়ৰ পূৰ্বেই মই ৭ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছোঁ। এই প্ৰকল্পই মণিপুৰৰ জনতাৰ জীৱন উন্নীত কৰিব। আমাৰ জনজাতীয় সম্প্ৰদায়ক উন্নীত কৰিব। আনপিনে মণিপুৰৰ নামৰ আগত মণি বুলি উল্লেখ কৰি এই মণিয়েই সমগ্ৰ উত্তৰ-পূবক ভৱিষ্যতে উজলাই তুলিব বুলি কয় প্ৰধানমন্ত্ৰী মোদীয়ে। অপাৰেচন সিন্দুৰত মণিপুৰে গুৰুত্বপূৰ্ণ ভূমিকা লোৱা বুলি উল্লেখ কৰি এই অপাৰেচনৰ সময়ত শ্বহীদ হোৱা বিএছএফৰ কনিষ্টবল দীপক ছিংগামখামক শ্ৰদ্ধাঞ্জলি জনায় প্ৰধানমন্ত্ৰী মোদীয়ে। ২১ শতিকা উত্তৰ-পূবৰ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে ২০১৪ চনৰ পূৰ্বে মণিপুৰৰ উন্নয়নৰ হাৰ এক শতাংশতকৈও কম আছিল বুলি বিৰোধীক পৰোক্ষভাৱে সমালোচনা কৰে। আনপিনে মণিপুৰত যিধৰণৰ হিংসা হৈছে, সেয়া দুৰ্ভাগ্যজনক বুলি আখ্যা দি প্ৰধানমন্ত্ৰী মোদীয়ে কয়- এই হিংসা আমাৰ পূৰ্বপুৰুষ আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে বিৰাট অন্যায়। গতিকে আমি মণিপুৰক শান্তি আৰু বিকাশৰ পথেৰে একেলগে আগবঢ়াই নিব লাগিব। ভাৰতৰ স্বাধীনতা সংগ্ৰাম আৰু ভাৰতৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত মণিপুৰৰ অৱদানে দেশবাসীক অনুপ্ৰাণিত কৰে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়- এই মণিপুৰতেই প্ৰথমবাৰৰ বাবে ভাৰতীয় পতাকা ভাৰতীয় সেনা বাহিনীয়ে উত্তোলন কৰিছিল। নেতাজী সুভাষ চন্দ্ৰ বসুৱে মণিপুৰক ভাৰতৰ স্বাধীনতাৰ দুৱাৰমুখ বুলি অভিহিত কৰিছে। এই ভূমিয়ে বহুতো অসাধাৰণ ত্যাগ স্বীকাৰ কৰা মহান ব্যক্তিক জন্ম দিছে। ইপিনে প্ৰধানমন্ত্ৰী মোদীয়ে গোষ্ঠী সংঘৰ্ষত নিপীড়িত লোকৰ সৈতেও বাৰ্তালাপ কৰে। মোদী আৰু কেন্দ্ৰীয় চৰকাৰ তেওঁলোকৰ সৈতে আছে বুলি কয় প্ৰধানমন্ত্ৰীগৰাকীয়ে। নিপীড়িত পৰিয়ালৰ সৈতে বাৰ্তালাপ কৰি আৱেগিক হৈ পৰে প্ৰধানমন্ত্ৰী মোদী। মণিপুৰ অবিহনে ভাৰতৰ সংস্কৃতি সম্পূৰ্ণ নহয় বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে উগ্ৰপন্থী সংগঠনসমূহক শান্তিৰ পথত আহিবলৈ আহ্বান জনায়। সন্তানৰ ভৱিষ্যৎ নিৰাপদ কৰিবলৈ উগ্ৰপন্থী সংগঠনসমূহ মূলসুঁতিলৈ আহিব লাগে বুলি আহ্বান জনায় প্ৰধানমন্ত্ৰী মোদীয়ে।

# এছিয়া কাপত আজি

কৰে যদিও এতিয়াও বহুতে এই মেচখন বাতিল বা বৰ্জনৰ দাবী জনাইছে। অৱশ্যে আজিৰ বহু প্ৰতীক্ষিত মেচখনক অধীৰ আগ্ৰহেৰে বাট চাই আছে ভাৰত আৰু পাকিস্তান দল দুটাই। ইতিমধ্যে টীম ইণ্ডিয়াৰ অধিনায়ক সূৰ্যকুমাৰ যাদৱে ব্যক্ত কৰিছে যে চিৰপ্ৰতিদ্বন্দ্বী পাকিস্তানৰ লগত খেলিবলগীয়া মেচখনত তেওঁলোকে আগ্ৰাসী ক্ৰিকেট খেলিব। মেচখনক লৈ কোনো চাপ নাই বুলি উল্লেখ কৰি টীম ইণ্ডিয়াৰ অধিনায়ক সূৰ্যকুমাৰ যাদৱে কয় যে মেচখনক লৈ আমি কোনো অতিৰিক্ত চাপ লোৱা নাই। আমি আমাৰ পৰিকল্পনা অনুসৰি মেচখনত অৱতীৰ্ণ হ'ম। বাবৰ আজম আৰু মহম্মদ ৰিজৱান অবিহনে পাক দলটো কিছু দুৰ্বল হ'ব যদিও আমি তেওঁলোকক সহজভাৱে ল'ব বিচৰা নাই। ইফালে, আজিৰ হাইভল্টেজ মেচখনত ভাৰতীয় দলৰ বেটিং ক্ৰমত কিছু সালসলনি হ'ব বুলি উল্লেখ কৰি বেটিং প্ৰশিক্ষক সীতাংশু কোটাকে কয় যে মেচখনত অ'পেনাৰ সঞ্জু ছেমছনৰ বেটিং স্থান সালসলনি হোৱাৰ অধিক সম্ভাৱনা আছে। সহঃ অধিনায়ক হিচাপে দললৈ প্ৰত্যাৱৰ্তন কৰা শুভমন গিলে অভিষেক শৰ্মাৰ সৈতে ইনিংছ মুকলি কৰিব। গতিকে, সঞ্জুৱে ৫-৬ নম্বৰত বেটিং কৰাৰ সম্ভাৱনা আছে। সঞ্জুৰ দৰে বেটাৰৰ যিকোনো স্থানত বেটিং কৰাৰ সক্ষমতা আছে। অৱশ্যে দলৰ প্ৰয়োজন অনুসৰি অধিনায়ক আৰু প্ৰশিক্ষকে সেইটো সিদ্ধান্ত ল'ব।

## ENGLISH NEWS SECTION

# SITA Vice Chairman undertakes field visits to Kaziranga and Jorhat for assessment of key SITA-Supported Initiatives




Dispur, RB News: Hon'ble Vice Chairman of SITA, Shri Narayan Chandra Borkataky, undertook a series of field visits to review key developmental and educational initiatives supported by SITA. He visited Barbheta Gaon, Kaziranga, to review the progress of the ongoing project "Up scaling of Livelihood: Implementation through Smart Agriculture and Agri-Eco-Tourism" on September 9, 2025. This project aimed at enhancing rural livelihood opportunities through the integration of technology-driven agriculture and sustainable eco-tourism models, with a strong focus on community participation and long-term sustainability. Later in the day, Hon'ble Vice Chairman Borkataky also visited JB College, Jorhat, to assess the progress of the Civil Services Study Centre, a project aimed at building a robust preparatory ecosystem for aspirants from Assam targeting the All India Civil Services Examinations. This Government-supported intervention is a step toward increasing Assam's representation in national services. He engaged in a comprehensive discussion with Vice Chancellor Prof. Jyoti Prasad Saikia, Registrar Dr. Utpal Jyoti Mahanta and Prof. Kishore Goswami, Nodal Officer of the project. As part of his visit, the Hon'ble Vice Chairman also held an interactive session with students and faculty members of JB College. He encouraged civil services aspirants to make the most of the Centre's resources and highlighted the government's commitment to nurturing local talent through quality support and structured mentorship. The Civil Services Study Centre is part of a strategic effort to create a supportive preparatory ecosystem that encourages and enables youth from Assam to successfully compete in All India Civil Services Examinations. Similar centres are already operational at GC College of Silchar, Darrang College of Tezpur and BN College of Dhubri. These visits reflect SITA's continuous commitment to innovation-driven development and institutional strengthening across Assam — from grassroots livelihood enhancement to academic empowerment.

## RBI imposes 21 lakh penalty on PhonePe




RB News: The Reserve Bank of India has imposed a 21 lakh penalty on PhonePe Limited for non-compliance with norms related to Prepaid Payment Instruments (PPIs), said its statement. In reference to operations from October 2023 to December 2024, RBI found that the end-of-the-day balance in PhonePe's escrow account was less than value of outstanding PPIs, which remained unreported.

## WWE confirms Saudi Arabia as host of WrestleMania 43 in 2027




RB News: In a special live announcement on their YouTube channel, WWE confirmed that Riyadh, Saudi Arabia will be hosting the 43rd edition of their annual sports and entertainment extravaganza WrestleMania in 2027. This will be the first-time in WWE history that their biggest Premium Live Event (PLE) of the year is going to head outside of the North American continent.

## SC rejects Kangana's plea in case over post on farmers' protest




RB News: The Supreme Court on Friday rejected BJP MP Kangana Ranaut's plea to quash a criminal defamation complaint filed against her X post about a woman participant in the 2021 farmers' protests. It was not a simple retweet and you had "added spice" to what was existing, the Supreme Court said.Notably, Kangana had allegedly made some derogatory remarks about the elderly woman protester.

## Shots fired outside Disha Patani's home in UP



RB News: Shots were fired outside Disha Patani's home in UP's Bareilly. Rohit Godara and Goldy Brar gang claimed responsibility, saying attack was response to disrespect towards Premanand Maharaj and Aniruddhacharya Maharaj. Disha's sister Khushboo had criticised Aniruddhacharya Maharaj for his remarks on live-in relationships. Many people mistakenly thought her comments were aimed at Premanand Maharaj.

## Norway beat Moldova 11-1 in WC qualifier



RB News: Erling Haaland scored five goals and substitute Thelo Aasgaard added four in Norway's 11-1 victory over Moldova on Tuesday, moving closer to their first World Cup in 27 years. With five games played, Norway lead Group I with 15 points, six ahead of second-placed Italy, who have a game in hand. Meanwhile, Moldova are at the bottom with zero points.

## India record their fastest win in T20I cricket history



RB News: India chased down the 58-run target in 4.3 overs to defeat UAE in their Asia Cup 2025 opener. It is India's fastest win in T20I cricket history. India won the match with 93 balls remaining. India's previous biggest T201 win in terms of balls remaining came on November 5, 2021, when they beat Scotland with 81 balls remaining.

# সম্পৰ্কতো মামৰ লাগে

অৰ্ণৱ কটকী,জাঁজী, যোৰহাট



চিনাকী জনৰ অসুস্থতাৰ সময়ত খবৰ বা সাহস হৈ থিয় দিছে নে? নিস্বাৰ্থ ভাৱে অসুস্থতাৰ খবৰ পোৱা পিছত প্ৰতি ক্ষণতে ফোন নাইবা মেচেজ কৰি খবৰ ৰাখি পাইছে নে? তেওঁ আপোনাৰ খবৰ লওক বা নলওক আপুনি তেওঁৰ দুখৰ সময় খিনিত সমভাগী হৈ পাইছে নে?

জীৱনৰ বাটত বহু ব্যক্তি, বন্ধু, সমন্ধীয় মানুহ গোট খাই, জীৱন সম্পূৰ্ণ কৰে। কেতিয়াবা সেই সম্পূৰ্ণ হৈ পৰা জীৱনটো আধৰুৱা হৈ পৰে, কিছু ব্যক্তিৰ অনীহা, অৱজ্ঞা, মূল্য দিব নজনাৰ দোষত। ভুল কাৰো নাথাকে মাথোঁ সময়ে কাঢ়ি নিয়ে। প্ৰয়োজনহীন হোৱাৰ পিছত আদৰ- সাদৰৰ অভাৱত। মামৰ ধৰা লোহাৰ দৰে কিছু সমন্ধত মামৰে ধৰে, বুজা -বুজি, মৰম-চেনেহৰ অভাৱত।

টকা পইছাৰ সহায় কৰিব নোৱাৰিলেও যদি খবৰ ৰখা হয় ইজনে সিজনৰ তেতিয়া আচলতে কোনো সম্পৰ্কতে ঘূণে ধৰিব নোৱাৰে। আপোনাৰ চিনাকী কিমান ব্যক্তি আছে, ফোন নম্বৰ বা যাতায়ত কৰা। তেওঁলোকৰ বিপদৰ সময়ত সহায়ৰ হাত আগবঢ়াব নোৱাৰিলেও এযাৰ মাত দি সাহস হৈ পাইছে নে? ল'ব চোন খবৰ এটা! ভাল দিনৰ সময়ত নল'লেও তেওঁৰ বেয়া সময় খিনিত। ভাল দিনৰ সহায় পাহৰি গ'লেও মানুহে বেয়া দিনৰ সময় পাহৰি নাযায় কেতিয়াও। মামৰ লাগিব নিদিব সেই সম্পৰ্ক বিলাকত।ভালে থাকক আপুনি সদায়।




ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286